Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, JANUARY 18, 2025 ■ শনিবাৰ, ৪ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ২২ Guwahati, Assam ।। মূল্যঃ এটকা

## পিতৃ-মাতৃহাৰা হ'ল শিল্পী কমলিকা

ইং-সংবাদ, ১৭ জানুৱাৰীঃ পিতৃ-মাতৃহাৰা হ'ল উদীয়মান শিল্পী কমলিকা কাশ্যপ। ২০২১ চনত মাতৃ ৪ পৃষ্ঠাত

## এআইক লৈ নিৰ্বাচন আয়োগ হঠাৎ কঠোৰ

নতুন দিল্লী, ১৭ জানুৱাৰীঃ আসন্ন দিল্লী বিধানসভা নিৰ্বাচনৰ পূৰ্বে কৃত্ৰিম বুদ্ধিমত্তাৰ শেষাংশ ৩ পৃষ্ঠাত

## জাল্লিকাটুৰ বাবেই প্ৰাণ গ'ল ৭জন লোকৰ

চেন্নাই, ১৭ জানুৱাৰীঃ তামিলনাডুৰ পৰম্পৰাগত জাল্লিকাটু ২ পৃষ্ঠাত চাওক



## সৰি পৰিল মাস্কৰ ষ্টাৰশ্বিপ


নিউয়ৰ্ক, ১৭ জানুৱাৰীঃ পুনৰ মধ্য আকাশত বিপৰ্যয়ৰ সন্মুখীন হ'ল স্পেচএক্সৰ অত্যাধুনিক ২ পৃষ্ঠাত চাওক




এনেদৰে নামনি অসমৰ উন্মুক্ত সীমান্তৰে বাংলাদেশলৈ চলিছে গো-ধনৰ সৰবৰাহ!

### পত্নী বুছৰা বিবিকো ৭ বছৰৰ জেইল

## পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰাণ খানক ১৪ বছৰৰ কাৰাদণ্ড



ইছলামাবাদ, ১৭ জানুৱাৰীঃ ৰাজনৈতিক অস্থিৰতাই গ্ৰাস কৰা চুবুৰীয়া ৰাষ্ট্ৰ পাকিস্তানত পত্নীসহ কাৰাদণ্ডৰে দণ্ডিত হ'ল শেষাংশ ৪ পৃষ্ঠাত

### নামনি অসমৰ উন্মুক্ত বাংলাদেশ সীমান্তই মাতি আনিছে ভয়ংকৰ বিপদ

# বাংলাদেশলৈ আকৌ আৰম্ভ গৰুৰ অবৈধ সৰবৰাহ

■ বৰগয়াৰী উপাধিধাৰী আৰক্ষী বিষয়াৰ সহযোগত গো-ধনৰ সৰবৰাহ, কেমেৰাত বন্দী সমগ্ৰ দৃশ্য



ই-সংবাদ, ১৭ জানুৱাৰীঃ দেশৰ অখণ্ডতাৰ বাবে ভয়ংকৰ বিপদ কঢ়িয়াই আনিব পাৰে নামনি অসমৰ বাংলাদেশ সীমান্তই। বাংলাদেশৰ সৈতে পাকিস্তানৰ তাল-মিল হোৱাৰ পিছতে একাংশ কট্টৰ ইছলামিক শেষাংশ ২ পৃষ্ঠাত

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

### ভৰেশৰ মুখত হিন্দু ৰাষ্ট্ৰ গঢ়াৰ কথা

## নেতা-কৰ্মীৰ হৰ্ষোল্লাসৰ মাজত সেৱা লৈ কাৰ্যভাৰ গ্ৰহণ দিলীপ শইকীয়াৰ



ই-সংবাদ, ১৭ জানুৱাৰীঃ ভাৰতীয় জনতা পাৰ্টিৰ অসম প্ৰদেশৰ সভাপতি পদত বিনা প্ৰতিদ্বন্দ্বিতাত জয়ী হৈছে ৩ পৃষ্ঠাত

### ক্ষুব্ধ উজনি-নামনি কৰা উজনিৰ নেতা

## পুনৰ নামনি অসমৰ নেতাকেই দিলে সভাপতি

ই-সংবাদ বিশেষ, ১৭ জানুৱাৰীঃ পুনৰ উজনি অসমৰ নেতা আৰু চাহ জনগোষ্ঠীৰ নেতাৰ আশাত চেঁচাপানী ঢালি নামনি অসমৰে ৪ পৃষ্ঠাত

**চাহ জনগোষ্ঠীৰ নেতাৰ আশাতো আকৌ এবাৰ পৰিল চেঁচাপানী!**

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাংলাদেশলৈ আকৌ আৰম্ভ

লোক তথা সংগঠনে অসমত প্ৰৱেশ কৰি অঘটন ঘটাবলৈ প্ৰয়াস কৰাৰ কথা বাৰে বাৰে অসম আৰক্ষীয়ে সাংবাদমেলযোগে প্ৰকাশ কৰি গৈছে। ইতিমধ্যে বাংলাদেশৰ পৰা আহি অসমত থিতাপি লৈ থকা কট্টৰ ইছলামিক গোটৰ সদস্য অসমত ধৰা পৰিছে। কিন্তু সীমান্ত কিমান সুৰক্ষিত হৈ আছে তাকে লৈ আৰম্ভ হৈছে ব্যাপক চাঞ্চল্য। কিয়নো আৰক্ষী বিষয়াৰ নেতৃত্বতে অসমৰ পৰা বাংলাদেশলৈ গো-ধন সৰবৰাহ হোৱাৰ অত্যন্ত গুৰুতৰ অভিযোগ উত্থাপন হৈছে। আৰক্ষী বিষয়াৰ পৃষ্ঠপোষকতাত গো-মাফিয়াই মৰসাহ কৰি বাংলাদেশলৈ গোধন সৰবৰাহৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। ৰাজপথেৰে গো-ধন নি সীমান্ত পাৰ কৰাৰ তথ্যই নামনি অসমৰ বাংলাদেশ সীমান্তৱৰ্তী এলেকাত সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্যৰ। বাংলাদেশত অস্থিৰ অৱস্থাৰ কিছু অৱসান ঘটাত সীমান্তত অবৈধ কাৰবাৰ চলিবলৈ সুবিধা পোৱাতো ভয়ংকৰ অশনি সংকেত বুলি গণ্য কৰিছে সীমান্তৱৰ্তী নাগৰিকে। বাংলাদেশত গণ অভ্যুত্থানৰ সময়ত কিছু দিন সীমান্তত অবৈধ সৰবৰাহ বন্ধ আছিল যদিও পুনৰ অবৈধ সামগ্ৰীৰ সৰবৰাহ পূৰ্ণোদ্যমে আৰম্ভ হৈছে। বাংলাদেশলৈ গো-ধন, ম'হ সৰবৰাহত জড়িত আছে স্বয়ং একাংশ আৰক্ষী বিষয়া। এই অবৈধ সৰবৰাহত নাম সাঙোৰ খাইছে বৰগয়াৰী উপাধিধাৰী এজন আৰক্ষীৰ বিষয়াৰ নাম। বৰগয়াৰী উপাধিধাৰী আৰক্ষী বিষয়াজনৰ হস্তক্ষেপত একাংশ আৰক্ষীৰ নেতৃত্বত প্ৰতিদিনেই গো-ধন সৰবৰাহৰ অভিযোগ উঠিছে। ধুবুৰী জিলাখনত এই মুহূৰ্তত কোন অপৰাধী, কোন আৰক্ষী সেয়া ধৰিবই নোৱাৰ হৈছে। আৰক্ষীৰ নেতৃত্বতে অসমৰ গো-ধন বহিঃৰাষ্ট্ৰলৈ চোৰাংকৈ সৰবৰাহ হৈ আছে! আৰক্ষীৰ নাকৰ তলেৰে বাংলাদেশলৈ গৰু-ম'হৰ অবৈধ সৰবৰাহত জড়িত বিষয়া বৰগয়াৰীৰ নেতৃত্বত চলিছে বুলি ৰাইজে গুৰুতৰ অভিযোগ আনিছে একাংশ লোকে। বৰগয়াৰীৰ লগতে বৰগয়াৰীৰ ঘনিষ্ঠ এজন সহ-উপ-পৰিদৰ্শক চোৰাং গৰু-ম'হ সৰবৰাহত জড়িত বুলি এতিয়া চৌদিশে চৰ্চা হ'বলৈ ধৰিছে। নাম প্ৰকাশত অনিচ্ছুক শালমাৰা মানকাছৰ জিলাৰ একাংশ সচেতন ৰাইজে গো-ধন সৰবৰাহৰ কথা স্বীকাৰ কৰি ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। ৰাজ্যত হিন্দুত্ববাদী চৰকাৰ থকা সময়তে সীমান্তৰে বাংলাদেশলৈ গো-ধন সৰবৰাহ অব্যাহত থকাৰ তথ্য পোহৰলৈ অহাত সৃষ্টি হৈছে প্ৰতিক্ৰিয়াৰ। আৰক্ষীয়ে ৰোধ কৰিব পৰা নাই গো-ধনৰ সৰবৰাহ। কিয়নো সীমান্তৱৰ্তী জিলাৰ আৰক্ষী অধীক্ষক, মহকুমা আৰক্ষী বিষয়া আৰু থানাৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ হাত বন্ধা। ফলস্বৰূপে দিনে-নিশাই গো-ধনৰ মুক্ত মনেৰে বাংলাদেশলৈ সৰবৰাহ চলিছে। গো-ধন বিদেশী ৰাষ্ট্ৰলৈ সৰবৰাহত হাত উজান দিছে স্বয়ং একাংশ অসাধু আৰক্ষী বিষয়াই। দিছপুৰৰ হিন্দুত্ববাদী চৰকাৰক ভয় নকৰা আৰক্ষীৰ পৃষ্ঠপোষকতাত গো-ধনৰ সৰবৰাহ কৰাৰ ভিডিঅ' আৰু ফটোও ইতিমধ্যে সাংবাদমাধ্যমে লাভ কৰিছে। ৰাজপথেৰে নিতৌ গৰু খেদি সীমান্তলৈ নি থকা ভিডিঅ' সংবাদমাধ্যমৰ হাতত পৰিছে। গো-সুৰক্ষা আইনক বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন কৰি অসম-বাংলাদেশ সীমান্তৱৰ্তী দক্ষিণ শালমাৰা জিলাৰ মানকাচৰৰ পৰা চলিছে জাকে জাকে গো-ধনৰ সৰবৰাহ। কেৱল গো-ধনেই নহয় শিল-বালি, চিমেণ্ট, কয়লা, ব্ৰইলাৰ, ম'হ বাংলাদেশলৈ সৰবৰাহ হৈ থকাৰ দাবী কৰিছে এটা সূত্ৰই। কথাই প্ৰতি ধৰ্ম বিশেষক টাৰ্গেট কৰি শাসকীয় বিজেপিৰ দিনত গোধন সৰবৰাহ, গোমাংস সৰবৰাহৰ অভিযোগত বাটে-ঘাটে ধৰ্ম বিশেষক কাণত ধৰি আঁঠুকঢ়াই জয় শ্ৰী ৰাম শ্ল'গান দিবলৈ বাধ্য কৰে। কিন্তু ৰাজ্যত বিজেপি চৰকাৰৰ দিনতে চলি আছে গো-ধনৰ ব্যাপক সৰবৰাহ। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা ভাৰত-বাংলাদেশ সীমান্তলৈ নি গো-ধনসমূহ কাটা তাঁৰৰ বেৰ পাৰ কৰি বাংলাদেশত প্ৰৱেশ কৰোৱা হয়। ইয়াৰ অন্তৰালত প্ৰতিদিনে কেইবা লক্ষ টকা উপাৰ্জন হয়। সেই উপাৰ্জনৰ ধন ভাগ-বাটোৱাৰা হয়। দিছপুৰলৈ আহে নেকি এটা অংশ? গোধন হত্যা ৰোধৰ কথা কৈ ৰাজনীতি কৰা বিজেপিয়ে ধৰ্ম বিশেষক টাৰ্গেট কৰি ৰাজহুৱা স্থানত গোমাংস বিক্ৰী নকৰিবলৈ চৰকাৰী নিৰ্দেশনা প্ৰকাশ কৰিছিল। বিধানসভাত গো-হত্যা ৰোধৰ বাবে আইন কাৰ্যকৰী কৰিছে। কিন্তু নিতৌ অসমৰ গো-ধন বাংলাদেশলৈ সৰবৰাহ হৈয়ে আছে। ইয়াৰ মাজতে ভাইৰেল হৈ পৰা বিশেষ ভিডিঅ' আৰু ফটোৰে লাভ কৰিছে বিশেষ চৰ্চা। এতিয়া প্ৰশ্ন হৈছে দেশৰ অখণ্ডতাৰ প্ৰতি ভাবুকি হৈ পৰা বাংলাদেশৰ কট্টৰ পন্থীৰ টাৰ্গেট হৈ পৰা অসমৰ সীমান্তত চলি থকা অবৈধ কাৰ্যকলাপ দেশ তথা ৰাজ্যৰ গৃহ বিভাগে কিয় বন্ধ কৰিব পৰা নাই?

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সৰি পৰিল মাস্কৰ ষ্টাৰশ্বিপ

ৰকেট। ইলন মাস্কৰ কোম্পানীৰ দ্বাৰা নিৰ্মাণ কৰা 'ষ্টাৰশ্বিপ' পুনৰ ধ্বংস হয় আকাশ মাৰ্গত। বৃহস্পতিবাৰে স্থানীয় সময় অনুসৰি বিয়লি ৫:৩৮ বজাত দক্ষিণ টেক্সাছৰ এটা উৎক্ষেপণ স্থানৰ পৰা মহাকাশলৈ উৎক্ষেপণ কৰা হৈছিল ষ্টাৰশ্বিপ ৰকেট। অৱশ্যে উৎক্ষেপণৰ মাত্ৰ আঠ মিনিটৰ পিছতে বায়ুৰ মাজত বিস্ফোৰণ ঘটে। ফলত ৰকেটৰ ধ্বংসাৱশেষ দ্ৰুতগতিত পৃথিৱীৰ ফালে নামিবলৈ ধৰে। এনে পৰিস্থিতিত আমেৰিকাৰ এক বৃহৎ অঞ্চলত বিমান সেৱাত ব্যাঘাতৰ সৃষ্টি হৈছে। সংবাদ সংস্থা ৰয়টাৰে প্ৰকাশ কৰা এটা ভিডিঅ'টোত প্ৰত্যক্ষ হৈছে কেৰিবিয়ান দ্বীপ হাইটিৰ ওপৰত মাজ আকাশত ষ্টাৰশ্বিপ ধ্বংস হোৱাৰ শিঁহৰণকাৰী দৃশ্য। ইফালে, মেক্সিকো উপসাগৰৰ সমীপত সংঘটিত এই ৰকেট দুৰ্ঘটনাই ব্যাঘাত জন্মাইছে বিমান সেৱাত। মিয়ামি আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত একাধিক বিমান অৱতৰণ কৰা হয় আৰু কমেও ২০খন বিমানৰ পথ সলনি কৰা হয়। উল্লেখ্য যে, এই পৰীক্ষামূলক কৃত্ৰিম উপগ্ৰহ লৈ মহাকাশলৈ যাত্ৰা কৰিছিল। স্পেচএক্সৰ প্ৰজেক্ট মেনেজাৰ ডেন হুওটে কয় যে উৎক্ষেপণৰ কিছু মুহূৰ্তৰ পিছতে ৰকেটটোৰ সৈতে যোগাযোগ বিচ্ছিন্ন হ'বলৈ কৰে। ৰকেটত যান্ত্ৰিক বিসংগতিৰ কথা নিশ্চিত হোৱাৰ কিছু মুহূৰ্তৰ ভিতৰতে আকাশমাৰ্গত বিস্ফোৰিত হয় ৰকেটটো। ইফালে ষ্টাৰশ্বিপৰ পুনৰ ব্যৰ্থতাক লৈ হতাশ হোৱাৰ বিপৰীতে ইয়াক সহজভাৱে লোৱা পৰিলক্ষিত হৈছে ইলন মাস্কক। ৰকেটৰ ধ্বংসাৱশেষৰ এখন ছবি শ্বেয়াৰ কৰি তেওঁ ধেমালিতে লিখিছে, "সফলতাৰ নিশ্চয়তা নাই, কিন্তু যোল্ল ডলাৰৰ মনোৰঞ্জনৰ নিশ্চয়তা আছে।" মাস্কৰ এই মন্তব্যই সকলোকে ভৱাই তুলিছে। প্ৰণিধানযোগ্য যে, ইয়াৰ পূৰ্বে ২০২৩ চনৰ এপ্ৰিল মাহতো এটা স্পেচএক্স ৰকেট দুৰ্ঘটনাগ্ৰস্ত হৈছিল আকাশ মাৰ্গত। তাৰ পিছত এই ৰকেটৰ ধ্বংসাৱশেষ ভাৰত মহাসাগৰত পৰে। অৱশ্যে সেই দুৰ্ঘটনাই স্বাভাৱিক বিমান সেৱাত কোনো ধৰণৰ প্ৰভাৱ পেলোৱা নাছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জাল্লিকাটুৰ বাবেই প্ৰাণ গ'ল

প্ৰতিযোগিতাৰ উৎসৱমুখৰ পৰিৱেশেৰৰ মাজতে নামি আহিল শোকৰ বন্যা। প্ৰতিযোগিতাৰ সময়ত এদিনতে সাত জন লোকৰ মৃত্যু হোৱাৰ লগতে আন চাৰি শতাধিক লোক আহত হোৱাৰ খবৰ পোৱা গৈছে। আনহাতে এই প্ৰতিযোগিতাত ভাগ লোৱা দুটা ষাঁড়ৰো মৃত্যু ঘটে। মাদুৰাইৰ আলংগনাল্লুৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ সময়ত ষাঁড়ৰ শিঙৰ আঘাতত আঘাতপ্ৰাপ্ত হৈ হাস্পতালত মৃত্যু ঘটে এজন দৰ্শকৰ। একেদৰে শিৱগংগাতো ষাঁড়ৰ আক্ৰমণত এজন দৰ্শক আৰু ম'হৰ গৰাকী নিহত হোৱাৰ খবৰ পোৱা গৈছে। শিৱগংগাত এটা ষাঁড়ৰো মৃত্যু ঘটা বুলি জানিব পৰা গৈছে। ইফালে, কৰুৰত ম'হৰ আক্ৰমণত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ প্ৰাণ হেৰুৱায় ৬৬ বছৰীয়া এজন দৰ্শকে। পুডুকোট্টাইকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত পৃথক পৃথক ঘটনাত আৰু তিনিজন লোকৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, বৃহস্পতিবাৰে 'কন্নুম পংগল' উপলক্ষে মাদুৰাইত অনুষ্ঠিত প্ৰতিযোগিতাত প্ৰায় ৭০ দৰ্শক আহত হৈছিল। ইয়াৰে একাংশ আহতৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। একে সময়তে পুডুকোটাই জিলাত অনুষ্ঠিত প্ৰতিযোগিতাৰ সময়তো কমেও ১০ জন লোক আহত হয়। তামিলনাডুৰ প্ৰশাসনে জনোৱা মতে, জিলাখনৰ আন এটা প্ৰান্তত ১৯ জন লোক আহত হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সেৱা লৈ দায়িত্ব ল'লে সভাপতি দিলীপ

দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়া। সভাপতি পদৰ বাবে কালি নিশা মনোনয়ন দাখিল কৰা একমাত্ৰ প্ৰাৰ্থী আছিল দিলীপ শইকীয়া। হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ পল্লৱ লোচন দাস আৰু সৰ্বানন্দ সোণোৱালৰ ঘনিষ্ঠ ৰামেশ্বৰ তেলীক সভাপতি পদ প্ৰদানৰ বাবে পৃথক পৃথক লবীয়ে কাম কৰিছিল যদিও কেন্দ্ৰীয় পৰ্যবেক্ষকে অসম বিজেপিৰ বিভিন্ন পক্ষৰ মত গ্ৰহণ কৰাত পুৰণি বিজেপি নেতাক সভাপতি পাতিবলৈ মতামত দিছিল। তাৰ পিছতে কেন্দ্ৰীয় পৰ্যবেক্ষকে নিৰ্বাচনৰ পৰিৱৰ্তে এজন পুৰণি বিজেপিৰ নেতাক সভাপতি হিচাপে মনোনীত কৰিব আৰু নিয়মমাফিক নিৰ্বাচনী ব্যৱস্থা অনুসৰণ কৰাৰ সিদ্ধান্ত লয়। যাৰ বাবে নিশাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, তদানীন্তন সভাপতি ভবেশ কলিতাৰ উপস্থিতিত মনোনয়ন দাখিল কৰে। অন্য কোনো প্ৰাৰ্থীয়ে মনোনয়ন দাখিল নকৰাত আজি বিনা প্ৰতিদ্বন্দ্বিতাত দিলীপ শইকীয়াক জয়ী ঘোষণা কৰে। শেষত দিলীপ শইকীয়াৰ নামত কেন্দ্ৰীয় পৰ্যবেক্ষকে মোহৰ লগায়। কেন্দ্ৰীয় পৰ্যবেক্ষক গজেন্দ্ৰ সিং শেখাৱটৰ পৰা সভাপতি পদৰ নিযুক্তি পত্ৰ সংগ্ৰহ কৰে। পত্ৰ সংগ্ৰহৰ পিছতে বশিষ্ঠস্থিত কাৰ্যালয়ত কেন্দ্ৰীয় পৰ্যবেক্ষক গজেন্দ্ৰ সিং শেখাৱট, ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক সুনিল বানচাল, ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিৱেদী, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, তদানীন্তন সভাপতি ভবেশ কলিতাৰ উপস্থিতিত সভাপতি পদ চম্ভালি লয়। ৰাজ্যিক সভাপতি নিৰ্বাচিত দিলিপ শইকীয়াই আজি দিনৰ ১১ বজাত বশিষ্ঠস্থিত ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত সভাত আনুষ্ঠানিকভাৱে নতুন দায়িত্ব চমজি লয়। কেইবা শতাধিক নেতা-কৰ্মীয়ে হৰ্ষোল্লাস আৰু বিজেপি জিন্দাবাদ ধ্বনিৰ মাজেৰে শইকীয়াক আদৰণি জনায়। আজি পৰা ৰাজ্যিক বিজেপিক দিলীপ শইকীয়াই নেতৃত্ব দিব। আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ কৰি দিলীপ শইকীয়াই কয় যে অসম বিধানসভাৰ আগন্তুক নিৰ্বাচনৰ লগতে আন নিৰ্বাচনত বিজয়ৰ ধাৰা অব্যাহত ৰখাৰ বাবে বিজেপিৰ কৰ্মীয়ে দুগুণ উৎসাহেৰে কাম কৰিব। বিজেপিৰ মূল লক্ষ্য নিৰ্বাচনত জয়ী হোৱাই নহয়, দলটোৰ আদৰ্শ প্ৰতিষ্ঠা কৰা। অসমক বিকশিত ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰাৰ লক্ষ্যক বাস্তৱায়িত কৰিব লাগিব। বিদায়ী সভাপতি ভবেশ কলিতাই আজি দায়িত্ব হস্তান্তৰৰ বাবে অনুষ্ঠিত কাৰ্যসূচীত ভাষণ প্ৰদান কৰি দিলীপ শইকীয়াক উষ্ম আদৰণি আৰু শুভেচ্ছা জ্ঞাপন কৰে। কলিতাই কয় যে দিলীপ শইকীয়া ভাল কাৰ্যকৰ্তা। দশক দশক ধৰি এটা আদৰ্শৰে কাম কৰি আছে। দিলীপ শইকীয়া আৰু মুখ্যমন্ত্ৰীৰ নেতৃত্বত ১০১ খন আসন পাবলৈ সক্ষম হ'ব। জিলাই জিলাই বাহন হ'ল। ৩৩ খন জিলাত কাৰ্যালয় হ'ল। আমি এখন হিন্দু ৰাষ্ট্ৰৰ বাবে আগবাঢ়িব লাগিব। ৬৫ লাখ কৰ্মকতা, ২৬ হাজাৰ বুথ গঠনৰ কথা উল্লেখ কৰি কলিতাই কয় যে মুখ্যমন্ত্ৰীৰ বলিষ্ঠ পদক্ষেপত অৰুণোদয় আঁচনি ৰূপায়ন কৰিছে। যাক বাকী ৰাজ্যই অনুসৰণ কৰিছে। কংগ্ৰেছে শাসিত প্ৰদেশে নকল কৰিছে। ছেমিকণ্ডাক্টৰ প্ৰকল্প আনিবলৈ সক্ষম হৈছে। কংগ্ৰেছে যাক বাংগালুৰুলৈ নিবলৈ প্ৰয়াস কৰিছিল বুলি বিদায়ৰ মুহূৰ্তত কংগ্ৰেছক সমালোচনা কৰিছে ভবেশ কলিতাই। কাৰ্যসূচীত অংশ লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিলীপ শইকীয়াক সভাপতি পদ লাভ কৰাত শুভেচ্ছা জ্ঞাপন কৰে। হিমন্ত বিশ্ব শৰ্মাই শইকীয়াক সমৰ্পিত কাৰ্যকৰ্তা আখ্যা দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে আজিৰ দিনটো আমাৰ বাবে এক শুভ দিন। নতুন সভাপতি লাভৰ বাবে নহয় এইবাবেই শুভ দিন যে পুনৰ প্ৰমাণিত হৈছে যে আমাৰ দলত শীৰ্ষ স্থানত উপনীত হ'বলৈ ৰাজ পৰিয়ালৰ পৰা আহিব নালাগে। এজন সাধাৰণ স্বয় সেৱক সভাপতি হ'ব পাৰে। বিজেপি দেশৰ একমাত্ৰ দল যিটো দলত এজন সাধাৰণ সদস্যই সমৰ্পিত সেৱাৰ জৰিয়তে দলৰ সভাপতি পদ লাভ কৰিব পাৰিব। বিজেপি কংগ্ৰেছ দলৰ বিপৰীত। কংগ্ৰেছত শীৰ্ষ পদসমূহ প্ৰায়ে পাৰিবাৰিক সম্পৰ্ক বা আশীৰ্বাদৰ ওপৰত লাভ কৰে। বিজেপিয়ে কঠোৰ পৰিশ্ৰম আৰু প্ৰতিশ্ৰুতিক গুৰুত্ব দিয়ে। যদি আমি কংগ্ৰেছ বা আন দলবোৰলৈ লক্ষ্য কৰো। কোনোবাই শীৰ্ষ স্থানত উপনীত হোৱাৰ আগতে তেওঁ কোন 'পৰিয়াল'ৰ সৈতে জড়িত তাক চোৱা হয়। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে দিলীপ শইকীয়াৰ দেউতাকৰ নামও কোনেও নাজানে। আমি আমাৰ পিতৃসকলৰ পৰা অনুপ্ৰেৰণা আহৰণ কৰিছো আৰু তেওঁলোকৰ আশীৰ্বাদৰ দ্বাৰা আমি আমাৰ নিজৰ পথ গঢ়ি তুলিছো। কেন্দ্ৰীয় নেতৃত্বই নিশ্চিত কৰিছে যে বিজেপি স্বজন তোষণৰ পৰিৱৰ্তে আধ্যাত্মিক শক্তিৰ সাধাৰণ মানুহৰ এটা দল। মুখ্যমন্ত্ৰীয়ে বিদায়ী সভাপতি ভবেশ কলিতাৰ ৰাজ্যিক দলৰ মুৰব্বী হিচাপে আগবঢ়োৱা অৱদানক প্ৰশংসা কৰি কয় যে কলিতাৰ কাৰ্যকালত বিজেপিয়ে লোকসভা নিৰ্বাচন, বিধানসভাৰ উপ-নিৰ্বাচন আৰু পৌৰ নিৰ্বাচনত জয়লাভ কৰে। শৰ্মাই নতুন সভাপতি ঘোষণাৰ লগে লগে সমাপ্ত হোৱা সাংগঠনিক নিৰ্বাচনকে ধৰি দলীয় বিষয়বোৰ সুচাৰুৰূপে চম্ভালি লোৱাৰ বাবে কলিতাক প্ৰশংসা কৰে। বৃহৎ সাংগঠনিক নিৰ্বাচনৰ সময়ত অসন্তুষ্টিৰ এটা শব্দও নাছিল। কংগ্ৰেছক এনেধৰণৰ মসৃণ আভ্যন্তৰীণ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ প্ৰত্যাহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে যদি কংগ্ৰেছে জিলা আৰু মণ্ডলৰ সভাপতি নিৰ্বাচন কৰিব বিচাৰে তেন্তে অসংখ্য আভ্যন্তৰীণ সংঘাত হ'ব। দলীয় কাৰ্যালয়সমূহ জ্বলাই দিয়া হ'ব-কয় মুখ্যমন্ত্ৰীয়ে। আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে শইকীয়াক কাৰ্যালয়লৈ আদৰি আনিছিল। দিলীপ শইকীয়াক আন্তৰিক অভিনন্দন জ্ঞাপন কৰি সোণোৱালে কয় যে দীৰ্ঘদিনীয়া অভিজ্ঞতা, সমৰ্পিত সেৱা আৰু সাংগঠনিক দক্ষতাৰে তেখেতে ভাৰতীয় জনতা পাৰ্টিক শক্তিশালী কৰাত উল্লেখযোগ্য অৰিহণা যোগাইছে। ভাৰতীয় জনতা পাৰ্টিৰ মাননীয় ৰাষ্ট্ৰীয় অধ্যক্ষ শ্ৰী জে পি নড্ডা ডাঙৰীয়াৰ পথ প্ৰদৰ্শনমৰ্মে শ্ৰী দিলীপ শইকীয়াই অসমত সৰ্বজনপ্ৰিয় আমাৰ দলটোক এক নতুন শিখৰত উপনীত কৰোৱাব বুলি আমি দৃঢ় বিশ্বাসী। ইপিনে বিজেপিৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য পদ মুখ্যমন্ত্ৰী, বিধানসভাৰ উপাধ্যক্ষসহ ১৪ গৰাকী সদস্য নিৰ্বাচিত হয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# এআইক লৈ নিৰ্বাচন আয়োগ হঠাৎ

অপব্যৱহাৰ ৰোধৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে নিৰ্বাচন আয়োগে। বৃহস্পতিবাৰে আয়োগে এক গাইডলাইন জাৰি কৰি ৰাজনৈতিক দলসমূহক প্ৰযুক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত দায়বদ্ধ আৰু স্বচ্ছ হ'বলৈ আহ্বান জনায়। আয়োগৰ নিৰ্দেশনা অনুসৰি, কৃত্ৰিম বুদ্ধিমত্তা (এআই) ব্যৱহাৰ কৰি প্ৰস্তুত কৰা ভিডিঅ'সমূহৰ আৰম্ভণিতে সেয়া এআইৰ দ্বাৰা প্ৰস্তুত বুলি উল্লেখ কৰিব লাগিব। তদুপৰি ভুৱা তথ্য প্ৰচাৰৰ ওপৰতো কঠোৰ নিৰীক্ষণৰ আহ্বান জনাইছে নিৰ্বাচন আয়োগে। কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰৰ সম্ভাব্য বিপদৰ বিষয়ে উদ্বেগ প্ৰকাশ কৰি মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে ভুৱা তথ্য আৰু আপাত সত্যৰ ভিত্তিত জনমতক প্ৰভাৱিত কৰাৰ প্ৰথাক অপৰাধ বুলি অভিহিত কৰে। তেওঁ বিভিন্ন ৰাজনৈতিক দলৰ আই টি কোষক এই ক্ষেত্ৰত সতৰ্ক হ'বলৈ সকীয়াই দিয়ে। মন কৰিবলগীয়া যে বিগত লোকসভা নিৰ্বাচনৰ সময়তো আয়োগে এআই ব্যৱহাৰৰ ক্ষেত্ৰত গাইডলাইন জাৰি কৰিছিল। আনহাতে, দিল্লীৰ নতুন দিল্লী বিধানসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী প্ৰৱেশ বাৰ্মাৰ বিৰুদ্ধে ভোটাৰৰ মাজত জোতা বিতৰণ কৰাৰ অভিযোগত এফআইআৰ পঞ্জীয়ন কৰিবলৈ আয়োগে নিৰ্দেশ দিছে। এজন অধিবক্তাই ভিডিঅ' প্ৰমাণ দাখিল কৰি এজাহাৰ দাখিল কৰাৰ পিছতে আয়োগে এই ব্যৱস্থা গ্ৰহণ কৰে। আয়োগৰ নিৰ্দেশনাত নিৰ্বাচনী প্ৰচাৰত প্ৰযুক্তিৰ উপযুক্ত আৰু নৈতিক ব্যৱহাৰৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। এই নিৰ্দেশ কিদৰে কাৰ্যকৰী হয় সেয়া লক্ষণীয় হ'ব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰাণ

দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰাণ খান। ১৯০ নিযুত পাউণ্ড আল-কাদিৰ ট্ৰাষ্ট গোচৰত শুকুৰবাৰে প্ৰাক্তন প্ৰধানমন্ত্ৰীজনৰ লগতে তেওঁৰ পত্নী বুছৰা বিবিকো দোষী সাব্যস্ত কৰে আদালতে। পাক ৰাজনৈতিক দল পিটিআইৰ প্ৰতিষ্ঠাপক তথা দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰাণ খানক ১৪ বছৰৰ কাৰাদণ্ড বিহা হৈছে। আনহাতে, তেওঁৰ পত্নীক সাত বছৰৰ কাৰাদণ্ডৰ ৰায় দিয়ে আদালতে। ন্যায়াধীশ নাছিৰ জাভেদ ৰাণাই আদিয়ালা কাৰাগাৰৰ অস্থায়ী আদালতকক্ষত এই ৰায় ঘোষণা কৰে। আদালতে ইমৰাণ খানক ১০ লাখ পাকিস্তানী টকা জৰিমনাও বিহিছে। তদুপৰি তেওঁৰ পত্নীক ৫ লাখ টকাৰ জৰিমনা পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। জৰিমনা পৰিশোধ কৰাত ব্যৰ্থ হ'লে আৰু ছয় মাহ কাৰাবাস খাটিব লাগিব। ন্যায়াধীশে আদিয়ালা কাৰাগাৰৰ বাহিৰত কঠোৰ নিৰাপত্তাৰ মাজত এই ৰায়টো ঘোষণা কৰাৰ পিছত বুশ্ৰা বিবিক আদালত কক্ষৰ পৰা গ্ৰেপ্তাৰ কৰা হয়। উল্লেখ্য যে যোৱা বছৰ ৮ ফেব্ৰুৱাৰীত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পিছতে ২৭ ফেব্ৰুৱাৰীত এই গোচৰটোত খান দম্পতীক অভিযুক্ত কৰা হৈছিল। শুনানিৰ পূৰ্বে পি টি আইৰ অধ্যক্ষ অধিবক্তা গোহৰ আলী খানে আদিয়ালা কাৰাগাৰৰ বাহিৰত সাংবাদিকৰ আগত কয়, "যদি উচিত সিদ্ধান্ত গ্ৰহণ কৰা হয় তেতিয়াহ'লে ইমৰাণ খান আৰু বুশ্ৰা নিৰ্দোষী সাব্যস্ত হ'ব।" বিগত বৰ্ষৰ ২৩ ডিচেম্বৰত ৰায় ঘোষণা কৰাৰ কথা আছিল যদিও আদালতে শীতকালীন বন্ধৰ বাবে গোচৰটোৰ ৰায় ৬ জানুৱাৰীলৈ স্থগিত ৰাখিছিল। আনহাতে যোৱা ৬ জানুৱাৰীত এই ৰায় ঘোষণা কৰাৰ কথা আছিল যদিও গোচৰটোৰ শুনানি গ্ৰহণ কৰি থকা ন্যায়াধীশ নাছিৰ জাভেদ ৰাণা ছুটীত আছিল। ১৩ জানুৱাৰীত শুনানিৰ সময়ত ন্যায়াধীশে কয় যে আদিয়ালা কাৰাগাৰৰ দায়বদ্ধতা আদালতত ইমৰাণ খান আৰু বুশ্ৰা বিবি উপস্থিত নথকা বাবে ৰায় ঘোষণা কৰা কৰিব পৰা নাছিল। উল্লেখ্য যে, ২০২৩ চনত পিটিআইৰ প্ৰতিষ্ঠাপকগৰাকীক বিভিন্ন গোচৰত গ্ৰেপ্তাৰ কৰা হৈছিল। ইফালে, এই ৰায়ৰ পিছতে পাকিস্তানত পুনৰ ৰাজনৈতিক অস্থিৰতা অধিক ভয়াৱহ হৈ পৰা আশংকা ঘনীভূত হৈ পৰিছে। পিটিআই দলৰ সমৰ্থকসকলে সমদল উলিয়াই যিকোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি কৰাৰ আশংকাত ৰাজধানী ইছলামাবাদ, প্ৰধান চহৰ কৰাচীকে ধৰি সমগ্ৰ দেশতে বৃদ্ধি কৰা হৈছে নিৰাপত্তা ব্যৱস্থা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুনৰ নামনি অসমৰ নেতাকেই দিলে

এজন লোকক বিজেপিয়ে ৰাজ্যিক সভাপতিৰ দায়িত্ব দিলে। পূৰ্বৰ সভাপতি ভবেশ কলিতাই প্ৰায় ৪ বছৰ কাল কাৰ্যনিৰ্বাহ কৰাৰ পিছত লোকসভাৰ প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত হোৱাত উজনি অসমৰ অবিসম্বাদী চাহ জনগোষ্ঠীৰ নেতা ৰামেশ্বৰ তেলীয়ে সভাপতিৰ দায়িত্ব লাভ কৰিব বুলি চৰ্চা হৈছিল। একাংশ বিধায়কে ৰামেশ্বৰ তেলীৰ নাম প্ৰস্তাৱো কৰিছিল। কিন্তু শেষ মুহূৰ্তত নামনি অসমৰ ভোটৰ বিন্যাসক কেন্দ্ৰ কৰিয়েই বিজেপিয়ে দিলীপ শইকীয়াই সভাপতি হিচাপে মনোনীত কৰে। দিলীপ শইকীয়াৰ পূৰ্বেও ভবেশ কলিতা আৰু ৰঞ্জিত কুমাৰ দাসে নামনি অসমক প্ৰতিনিধিত্ব কৰি বিজেপিৰ ৰাজ্যিক সভাপতিৰ দায়িত্ব লাভ কৰিলে। বিজেপিৰ একাংশ নেতা-কৰ্মীয়ে ২০২৬ৰ নিৰ্বাচনলৈকে ভবেশ কলিতাকে সভাপতি পদত বাহাল ৰাখিব লাগে বুলি দাবী উত্থাপন কৰিছিল যদিও নিজৰ পছন্দৰ প্ৰাৰ্থী বিধায়ক হিচাপে নিৰ্বাচিত কৰিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চৰ্ত আৰোপ কৰি ভবেশ কলিতাক সভাপতিৰ দৌৰৰ পৰা আঁতৰাবলৈ সক্ষম হ'ল যদিও নিজৰ পাকঘৰৰ মানুহ পল্লৱলোচন দাসক সেই পদত অধিষ্ঠিত কৰিবলৈ সক্ষম নহ'ল। ভবেশ কলিতা অপসাৰণৰ প্ৰস্তাৱ গৃহীত হোৱাৰ লগে লগে নামনি অসমৰ আন এজন নেতা দিলীপ শইকীয়াক সভাপতি পদ দিব লাগে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে হেঁচা প্ৰয়োগ কৰে। সোণোৱালৰ ৰণকৌশলৰ বাবেই শেষ মুহূৰ্তত কেন্দ্ৰীয় মন্ত্ৰী তথা পৰ্যবেক্ষক গজেন্দ্ৰ শ্বেখাৱটৰ হস্তক্ষেপত দিলীপ শইকীয়া ৰাজ্যিক বিজেপিৰ সভাপতি হিচাপে নিৰ্বাচিত হয়। ২৬ৰ বিধানসভা নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত বাৰে বাৰে উজনি অসমক সভাপতি পদৰ পৰা বঞ্চিত কৰা বাবে ৰাজ্যিক বিজেপিৰ উজনিৰ নেতাসকল শলঠেকত পৰিছে। উজনি অসমত আহোম জনগোষ্ঠীৰ ভোট বিজেপিলৈ নহা বাবেই আহোম জনগোষ্ঠীৰ ওপৰত পোতক তোলাৰ লক্ষ্যৰে নামনি অসমৰ লোকক বিজেপিৰ নেতৃত্ব দিয়া বুলি উজনিৰ এজন বিজেপিৰ বিধায়কে ক্ষোভ প্ৰকাশ কৰিছে। সততে উজনি-নামনিৰ কথা কৈ বিতৰ্কত সোমাই পৰা বিজেপি বিধায়ক এগৰাকীয়েও ভিতৰি তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰা দেখা গৈছে। ইফালে, পল্লৱলোচন দাসৰ ৰাজনৈতিক ভৱিষ্যতক লৈয়ো এতিয়া প্ৰশ্ন উত্থাপন হৈছে। চাহ জনগোষ্ঠীৰ নেতা বাৰে বাৰে বলিৰ পঠা হয় কিয় সেই প্ৰশ্নই চাহ জনগোষ্ঠীৰ মাজতো ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অহা বিধানসভা নিৰ্বাচনত ইয়াৰ প্ৰভাৱ পৰিব বুলি কাজিৰঙাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই নিজৰ সতীৰ্থৰ আগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বিজেপিৰ এক সূত্ৰৰ মতে সাংসদ কামাখ্যা প্ৰসাদ তাছাও সভাপতি পদৰ অন্যতম দাবীদাৰ আছিল। জনগোষ্ঠীয় নেতা সৰ্বানন্দ সোণোৱালক বিভিন্ন কূট-কৌশলেৰে মুখ্যমন্ত্ৰী পদৰ পৰা অপসাৰিত কৰি হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীৰ আসন গ্ৰহণ কৰাৰ পিছত বিজেপিৰ ৰাজ্যিক সভাপতিৰ পদটো উজনি অসমলৈ আহিব বুলি বহুতে আশা কৰিছিল। কিন্তু ৰাজ্যিক সভাপতি পদ আৰু মুখ্যমন্ত্ৰী দুয়োটা গুৰুত্বপূৰ্ণ পদেই বিজেপিয়ে নামনি অসমতে ৰখা বাবে অহা বিধানসভা নিৰ্বাচনত ইয়াৰ বিৰূপ প্ৰভাৱ পৰিব বুলি বিজেপিৰ শিৱসাগৰৰ এজন বিধায়কে সতীৰ্থক টেলিফোনত আশংকা প্ৰকাশ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পিতৃ-মাতৃহাৰা হ'ল শিল্পী কমলিকা

তথা বিশিষ্ট সংগীত শিল্পী ভিতালী দাস আৰু আজি পিতৃ বিশিষ্ট তবলাবাদক ভূপেন দাসৰ বিয়োগ ঘটে। বিশিষ্ট কণ্ঠশিল্পী ভিটালী দাসৰ স্বামী ভূপেন দাস দীৰ্ঘদিন ধৰি মধুমেহ আৰু বৃক্কজনিত ৰোগত আক্ৰান্ত হৈ আছিল যদিও আজি মৃত্যুক আকোৱালি লয়। গুৱাহাটীৰ জিএনআৰচি হাস্পতালত চিকিৎসাধীন অৱস্থাত ভূপেন দাসৰ মৃত্যু হয়। কুকিলকণ্ঠী গায়িকা ভিতালী দাসৰ মৃত্যুৰ তিনিটা বছৰ পিছত সেই একেটা উভতি নহা বাটেৰে গুছি গ'ল ভূপেন দাস। পত্নীৰ সৈতে সাংস্কৃতিক ক্ষেত্ৰত জড়িত ভূপেন দাসে পত্নী ভিতালী দাসৰ সৈতে তবলা বজাইছিল। ২০২১ চনত কোভিদ মহামাৰীৰ সময়ত কভিদত আক্ৰান্ত হৈ কমলিকাৰ মাতৃ ভিতালী দাসৰ মৃত্যু হৈছিল। মাতৃৰ মৃত্যুৰ ৪ বছৰৰ পাছত কমলিকাই পিতৃকো হেৰুৱালে। আজি ভূতনাথ শ্মশানত বহু গুণমুগ্ধৰ উপস্থিতিত দাসৰ শেষকৃত্য সম্পন্ন কৰা হয়। ভূপেন দাসৰ বিয়োগত বিভিন্ন দল-সংগঠন গভীৰ শোক প্ৰকাশ কৰিছে। শিল্পী বৰ্ণালী কলিতা, অভিনেত্ৰী দীপলিনা ডেকাই শোক প্ৰকাশ কৰিছে। বৰ্ণালী কলিতাই কয় যে শিল্পী দিৱসৰ দিনটোতে এগৰাকী শিল্পীক হেৰুৱালো। ভিতালী বাইদেউৰ স্বামী তথা কমলিকাৰ পিতৃ তবলাবাদক ভূপেন দাই ইহসংসাৰ ত্যাগ কৰিছে। অত্যন্ত মৰ্মাহত হৈছো। দীপলিনা ডেকাই কয় যে ঈশ্বৰে আমাৰ কমলিকা মাইনাক শক্তি দিয়ক। শিল্পী দিৱসতে আন এজন শিল্পীক আমি হেৰুৱালো। অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই সামাজিক মাধ্যমত এটা পোষ্ট দি ভূপেন দাসৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। বেদব্ৰত বৰাই কয় যে ভূপেন দাসৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছো। গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন মহাবিদ্যালয়ত ভূপেন মোৰ সহপাঠী আছিল। ভূপেনৰ হাতৰ আঙুলিয়ে তবলাক নতুন প্ৰাণ দিছিল। তবলা বাদক ভূপেনে পৰৱৰ্তী সময়ত সুকণ্ঠী গায়িকা ভিতালীৰ লগত সংসাৰ কৰিছিল। সকলোৰে লগত কম সময়তে মিলিব পৰাতো ভূপেনৰ আছিল অন্যতম গুণ। ভিতালীৰ মৃত্যুৰ পিছত ২-৩ বাৰ ভূপেনৰ লগত কথা হৈছিল। তাৰ কন্যাৰ মাত শুনিলেই গীতবোৰ টেলিভিশ্যনত শুনিছিলো। ভিতালীৰ লগত কণ্ঠৰ বহুত মিল আছে। কণমানিজনীৰ পৰা আজি ভূপেনকো নেদেখাজনে লৈ গ'ল।

# গুৱাহাটীত ছাত্ৰ সন্থাৰ শিল্পী দিৱস উদযাপন

**ই-সংবাদ, গুৱাহাটী, ১৭ জানুৱাৰীঃ** আজি ৰাজ্যজুৰি শিল্পী দিৱস পালন কৰা হয়। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰীতো শিল্পী দিৱস পালন কৰা হয়। উজানবজাৰৰ শ্বহীদ ভৱনত সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে শিল্পী দিৱস পালন কৰা হয়। দিনজোৰ কাৰ্যসূচীৰে পালন কৰা কেন্দ্ৰীয় শিল্পী দিৱসত উজানবজাৰস্থিত শ্বহীদ ভৱনত বিশিষ্ট আবৃতিকাৰ তথা অসম আন্দোলনৰ নেতা ভূপেন চক্ৰৱৰ্তীয়ে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে। আছুৰ নেতা-কৰ্মীয়েও ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে। তাৰ পিছতে এখন বিশেষ সভা অনুষ্ঠিত হয়। উক্ত সভাত অতিথি হিচাপে উপস্থিত থাকে অসম আন্দোলনৰ নেতা ভূপেন চক্ৰৱৰ্তী। অসম আন্দোলনৰ নেতা ভূপেন চক্ৰৱৰ্তীয়ে অসম আন্দোলন, বৰ্তমানৰ সমাজ ব্যৱস্থা, জ্যোতিপ্ৰসাদ আগৰৱালাৰ কৰ্মৰাজিৰ বিষেয়ে আলোকপাত কৰে। ভূপেন চক্ৰৱৰ্তীয়ে জন্তু আৰু মানুহৰ মাজত প্ৰাৰ্থক্য কি সেই প্ৰসংগ উল্লেখ কৰি কয় যে জন্তুৱে জীয়াই থাকিবলৈ খাদ্য খাই। কিন্তু মানুহে খাবৰ বাবে জীয়াই নাথাকে। জীয়াই থাকিবৰ কাৰণেহে খায়। ভূপেন চক্ৰৱৰ্তীয়ে গীত-কবিতাই মানুহক কেনেকৈ সলনি কৰিব পাৰে তাৰ এক উদাহৰণ দাঙি ধৰে। এজন বন্ধুক কবিতাই কেনেকৈ সলনি কৰিছিল সেই প্ৰসংগ উল্লেখ কৰি তেওঁ কয় যে তেজপুৰত মোৰ এজন বন্ধু আছিল। সি সাংঘাটিক উগ্ৰ আছিল। কথাতে মানুহ মাৰিব পাৰে। কিন্তু তাৰ এটা গুণ ভাল আছিল। সি লিখা-মেলাত ভাল। পেপাৰত কাম কৰিছিল। তাৰ বন্ধু নাই। মোৰ লগত বন্ধুত্ব হোৱাত তাক কবিতা কেনেকৈ লিখিব লাগে শিকালো। সি লিখা-মেলা আৰম্ভ কৰিলে। তাৰ পিছত তাৰ এটা পৰিৱৰ্তন আহিল। গুৱাহাটীলৈ তাক আনি 'তদন্ত' নামৰ আলোচনীৰ মালিকৰ লগত কথা পাতি সম্পাদক কৰি দিলো। সি আকৌ তেজপুৰলৈ গ'ল, তাৰ পিছতে সি আগৰ দৰেই হৈ পৰিল। তাৰ সোনকালে মৃত্যুও হ'ল। সি মোৰ লগত থকা কেইদিন উগ্ৰ চিন্তা কৰা নাছিল। তাৰ দ্বাৰা প্ৰমাণ হয় যে কবিতাই মানুহক সৎ পথেলৈ আনে। কবিতাই মানুহৰ মনত সাংঘাটিক ধৰণে ক্ৰিয়া কৰে। জ্যোতিপ্ৰসাদ আগৰৱালাই চয়তান বা তেনে বুদ্ধি বা এজন মানুহৰ মনত থকা তেনে চিন্তাক আতৰাই এটা সংস্কৃত মন তৈয়াৰ কৰিবলৈ অপ্ৰাণ প্ৰয়াস কৰিছিল। জ্যোতিপ্ৰসাদ আগৰৱালাৰ সৈতে লগ লাগিছিল বিষ্ণুপ্ৰসাদ ৰাভা। চক্ৰৱৰ্তীয়ে তেজপুৰত থকা কালৰ কথা সোঁৱৰি কয় যে তেজপুৰত কেৱল তেনেই পৰিৱেশ আছিল। সংস্কৃতিৰ কথা, শুদ্ধ কামৰ কথা। সুন্দৰ গীত, নাটককে ধৰি সেই সময়ত তেজপুৰত ভাল পৰিৱেশ তৈয়াৰ হৈছিল। সেই পৰিৱেশ আমি পাইছো। তেজপুৰৰ সেই সময়ৰ মেডিচিন খিনি খাই নাহিলে মই চাগে গুণ্ডাই হ'লোহেঁতেন বুলিও কয় চক্ৰৱৰ্তীয়ে। ইপিনে সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সভাপতি কমল মহন্ত আৰু সাধাৰণ সম্পাদক প্ৰাঞ্জল ডেকাই নৱ প্ৰজন্মক মহান শিল্পীগৰাকীৰ কৰ্মৰাজিক অনুধাৱন কৰি জীৱন যাত্ৰাত আগুৱাই যোৱাৰ লগতে দেশ তথা দহৰ উন্নতিৰ হকে কেনেদৰে কাম কৰি যাবলৈ আহ্বান জনায়। কাৰ্যসূচীত অমলা চক্ৰৱৰ্তী, সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ উপদেষ্টা সমীৰণ কলিতাকে প্ৰমুখ্যে কৰি ছাত্ৰ সন্থাৰ আন আন বিষয়-ববীয়াসকল উপস্থিত থাকে।







# শিৱসাগৰৰ বেতবাৰীত চাঞ্চল্য! ৩ দিন ধৰি ৰাষ্ট্ৰীয় ঘাইপথতে পৰি আছে দুৰ্ঘটনাগ্ৰস্ত কয়লা পৰিবাহী ট্ৰেইলাৰ

**ই-সংবাদ, শিৱসাগৰ, ১৭ জানুৱাৰীঃ** শিৱসাগৰ বেতবাৰীত এখন দুৰ্ঘটনাগ্ৰস্ত কয়লা পৰিবাহী ট্ৰেইলাৰে কঢ়িয়াইছে বিপদ। যোৱা ১৫ জানুৱাৰীতে শিৱসাগৰ বেতবাৰীৰ ঘিলাগুৰিৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত বাগৰি পৰিছিল অত্যাধিক কয়লা সৰবৰাহ কৰা ডব্লিউ বি ৫৭ এফ ২৪৭৭ নম্বৰৰ এখন ট্ৰেইলাৰ। তিনিচুকীয়া জিলাৰ লিডুৰ পৰা বহিঃৰাজ্যলৈ বুলি অত্যাধিক কয়লা কঢ়িয়াই নি থাকোতেই নিয়ন্ত্ৰণ হেৰুৱাই দুৰ্ঘটনাত পতিত হয় গাড়ীখন। অভাৰ লোডিং কৰি কয়লা কঢ়িওৱাৰ ফলতে নিয়ন্ত্ৰণ হেৰুৱাই বাগৰি পৰা ট্ৰেইলাৰ আৰু কয়লা বিগত ৩ দিন ধৰি ঘাইপথৰ ওপৰতে পৰি থকাত পথছোৱা অধিক বিপদজনক হৈ পৰিছে। বিশেষকৈ নিশা যিকোনো মুহূৰ্ততে পথৰ এটা অংশ আবদ্ধ কৰি পৰি থকা ট্ৰেইলাৰখনত আন যানবাহন খুন্দা খাই ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকাই দেখা দিছে। ৰহস্যজনকভাৱে এই পৰ্যন্ত গাড়ীখন আৰু কয়লাখিনি আঁতৰাবলৈ আৰক্ষী, প্ৰশাসন, পৰিবহণ বিভাগ, গাড়ীখনৰ মালিক কোনো এটা পক্ষই কিয় সক্ষম হোৱা নাই তাক লৈ প্ৰশ্ন উঠিছে। দুৰ্ঘটনাত চালকজন আহত হোৱা বুলি জানিব পৰা গৈছে যদিও চালকজন পিছত ক'লৈ গ'ল সেয়া জানিব পৰা হোৱা নাই। আনকি ট্ৰেইলাৰখনৰ হেণ্ডিমেনজনেও কয়লাখিনিৰ বিষয়ে অৱগত নহয় বুলি জানিব পৰা গৈছে। হেণ্ডিমেন বুলি পৰিচয় দিয়া এজনে ট্ৰেইলাৰখনত প্ৰায় ৪১ টন কয়লা আছে বুলি সদৰি কৰিছে। জানিব পৰা মতে সেই ট্ৰেইলাৰখন প্ৰায় ৩০-৩৫ টন কয়লা সৰবৰাহ কৰিবলৈহে সক্ষম। এই অ'ভাৰলোডিং ট্ৰেইলাৰখনত যিখিনি কয়লা সৰবৰাহ কৰা হৈছিল সেইখিনি কাৰ পৰা লৈ আনিছিল আৰু কাক দিবলৈ অনা হৈছিল সেই বিষয়ে অৱগত নহয় বুলি অদ্ভুত ভাষ্য আগবঢ়াইছে হেণ্ডিমেনজনে। লক্ষণীয় যে সাধাৰণ যানবাহন পথৰ ওপৰত পৰিলে কম সময়ৰ ভিতৰতে তেনে বাহন উঠাই নিয়ে বা আঁতৰাই পথ মুকলি কৰে যানবাহন নিয়ন্ত্ৰণ আৰক্ষী, এনফৰ্চমেণ্ট বিভাগ আদিয়ে। পিছে বেতবাৰীৰ ঘাইপথৰ আধা আৱদ্ধ কৰি পৰি থকা কয়লা পৰিবাহী ট্ৰেইলাৰখন তিনি দিনে চুবলৈ সাহস নকৰিলে সংশ্লিষ্ট বিভাগসমূহে। ইয়াৰ কাৰণ কি? এই প্ৰশ্নৰ উত্তৰ বিচাৰি এতিয়া হাবাথুৰি খাবলগীয়াত পৰিছে স্থানীয় ৰাইজে।

# বৰপামত শিল্পী দিৱস পালন

**ই-সংবাদ, বিশ্বনাথ, ১৭ জানুৱাৰীঃ** অসম আদৰ্শ বিদ্যালয় বৰপামত আজি দিনজোৰা কাৰ্যসূচীৰে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাক স্মৰণ কৰি শিল্পী দিৱস পালন কৰা হয়। কাৰ্যসূচী অনুসৰি শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অসম আদৰ্শ বিদ্যালয় বৰপামৰ সঞ্চালক নৃপেন বৰদলৈয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে প্ৰধান শিক্ষয়িত্ৰী বৰ্ণালী কুৰ্মীয়ে। ইয়াৰ পিছত ছাত্ৰ সংসদৰ অধ্যক্ষা পূৰ্ণিমা বৰমুদৈ, শিক্ষয়িত্ৰী লিপিকা বৰা, মণিদ্বীপা দাস শইকীয়া, আইমণি ভুঞা, ৰীণা বাউৰী, পল্লৱী মাহাতী, ৰিমা চুলতানা, তিলোত্তমা তাঁতি, সুৰজ গোৱালাৰ তত্বাৱধানত জ্যোতিপ্ৰসাদ আগৰৱালা সন্দৰ্ভত বক্তৃতা প্ৰতিযোগিতা, সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। লগতে ছাত্ৰ-ছাত্ৰীসকলে জ্যোতিপ্ৰসাদ আগৰৱালাৰ কালজয়ী গীতসমূহৰ আধাৰত দলীয় নৃত্য প্ৰদৰ্শন কৰি সভাৰ সকলোকে আপ্লুত কৰি তোলে। সঞ্চালক নৃপেন বৰদলৈয়ে শিল্পী দিৱস প্ৰসংগত উল্লেখ কৰি কয় যে আজিৰ প্ৰজন্মই জ্যোতি, বিষ্ণু, ফণী শৰ্মাক চিনি নাপায়। বৰ্তমান অসমীয়া সমাজৰ বাবে এই বিষয়টো উদ্বেগজনক হৈ পৰিছে। জাতীয় মহানায়কসকলক শিশুৰ মনত খোদিত কৰিব পাৰিলেহে বৃহত্তৰ অসমীয়া জাতি গঠনত সহায়ক হ'ব। অন্যথা অসমীয়া সমাজ ধৰ্ম, জাত-পাতক লৈ থানবান হৈ পৰিব বুলি সাংবাদিকৰ আগত তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। আজিৰ সভাত চেঙামাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক ৰিপুঞ্জয় বৰদলৈয়ে শিল্পী দিৱস বিষয়ক স্বৰচিত কবিতা আবৃত্তি কৰি সকলোকে মোহাচ্ছন্ন কৰি তোলে।

# ঘটনাৰ উচিত তদন্তৰ দাবী আহোম জাতীয় গণ মঞ্চৰ

# তালাচীৰ নামত যুৱকক দুৰ্ব্যৱহাৰ অসম আৰক্ষীৰ, গুলীয়াই দিয়াৰ ভাবুকি

**ই-সংবাদ, গেলেকী, ১৭ জানুৱাৰীঃ** এফালে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সাধাৰণ জনতাৰ সৈতে অসম আৰক্ষীক সু-সম্পৰ্ক বজাই ৰাখিবলৈ আহ্বান জনাইছে, আনফালে কিন্তু মুখ্যমন্ত্ৰীগৰাকীৰ এই নিৰ্দেশনাক অমান্য কৰি আহিছে একাংশ আৰক্ষীয়ে। পোহৰলৈ আহিছে অসম আৰক্ষীৰ এক নিকৃষ্ট কাণ্ড। উত্থাপিত অভিযোগ অনুসৰি যোৱা বুধবাৰে নিশা কৰ্মসূত্ৰে শিৱসাগৰ জিলাৰ নামতি দল বাইলুং গাঁৱৰ প্ৰাৰ্থপ্ৰতীম দত্ত নামৰ এজন যুৱকে নিজৰ মটৰচাইকেলেৰে নাগালেণ্ডৰ পৰা আহি আছিল। যুৱকজন আহি থকা অৱস্থাত আমগুৰি চাহ বাগিচাৰ সমীপত থকা অসম আৰক্ষীৰ এটা প্ৰায় পাঁচ জনীয়া দলে তালাচী অভিযান চলাই আছিল। সেই তালাচী অভিযান চলাই থকা আৰক্ষীৰ দলটোৱে যুৱকজনক ৰ'বলৈ নিৰ্দেশ দিয়াত যুৱকজন ৰৈ দিয়ে। তাৰ পাছতে সোধা-পোছা কৰি আৰক্ষীৰ দলে বিভিন্ন অলাগতিয়াল প্ৰশ্নৰে যুৱকজনক দুৰ্ব্যৱহাৰ কৰে। এই অভিযোগ কৰিছে ভুক্তভোগী যুৱকজনে। যুৱকজনৰ অহাত যথেষ্ট নিশা হোৱাৰ অপৰাধতেই আৰক্ষীয়ে বিভিন্ন ভয়-ভাবুকি দিয়াৰ উপৰি আন এজন আৰক্ষীয়ে নিজৰ বন্দুক দেখুৱাই ভাবুকি প্ৰদান কৰে বুলি যুৱকজনে সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰিছে। এতিয়া মুখ্যমন্ত্ৰীৰ পৰা ন্যায় বিচাৰিছে ভুক্তভোগী যুৱকজনে। বহু সময়ৰ অন্তত যুৱকজন উক্ত স্থানৰ পৰা গুচি আহে যদিও এতিয়া প্ৰাণৰ শংকাত ভুগিছে যুৱকজন। নিজৰ ব্যৱসায়ৰ সূত্ৰে মাজে মাজে নাগালেণ্ডলৈ গৈ থকা যুৱকজন এতিয়া উপায়হীন হৈ পৰিছে। ইফালে, জনসাধাৰণৰ নিৰাপত্তাত নিয়োজিত খাকী পোছাকধাৰী আৰক্ষীয়ে সাধাৰণ জনতাৰ ওপৰত অস্ত্ৰ দেখুৱাই ভাবুকি প্ৰদান কৰা কাৰ্যত সৰৱ হৈ পৰিছে আহোম গণমঞ্চ। আহোম গণমঞ্চৰ জিলা সাংগঠনিক সম্পাদক চাও দীপু আহোম দিহিঙীয়াই এইজন যুৱকক বন্দুক দেখুৱাই ভাবুকি দিয়া আৰক্ষীৰ বিৰুদ্ধে এক উচিত তদন্তৰ দাবী জনাইছে।

# আৰ্য বিদ্যাপীঠ কলেজত পৰিবহণ বিভাগৰ সজাগতা অনুষ্ঠান

**ই-সংবাদ, গুৱাহাটীঃ ১৭জানুৱাৰীঃ** ৰাষ্ট্ৰীয় পথ-সুৰক্ষা মাহৰ লগত সঙ্গতি ৰাখি কামৰূপ মহানগৰ জিলা পৰিবহণ বিভাগ আৰু জিলা পথ সুৰক্ষা সমিতিৰ উদ্যোগত আৰু নেহৰু যুৱ কেন্দ্ৰৰ সহযোগত মহানগৰীৰ আৰ্য বিদ্যাপীঠ কলেজত কাইলৈ শনিবাৰে ৰাতিপুৱা ১১বজাত বিশেষ পথ-সুৰক্ষা সজাগতা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বিশেষকৈ ছাত্ৰ-ছাত্ৰী তথা যুৱ-প্ৰজন্মৰ মাজত পথ-সুৰক্ষা সজাগতাক অভ্যাসত পৰিণত কৰি সমাজৰ সৰ্বস্তৰতে ব্যাপক জনসচেতনতা গঢ়ি তোলাৰ লক্ষ্যৰে এই অনুষ্ঠানৰ আয়োজনৰ কথা উল্লেখ কৰে পৰিবহণৰ বিশেষ কতৰ্ব্যৰত বিষয়া আৰু কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত দায়িত্বৰাহী জিলা পৰিবহণ বিষয়া গৌতম দাসে। সমগ্ৰ দেশৰ লগতে অসমতো ১৮ৰ পৰা ৪৫বছৰ বয়সৰ অধিক লোকেই পথ দুৰ্ঘটনাত নিহত হোৱাৰ কথা উল্লেখ কৰি ৰাষ্ট্ৰীয় পথ-সুৰক্ষা মাহৰ সময়চোৱাত দ্ৰুতবেগ পৰিহাৰ কৰি সুৰক্ষিত গতিত বাহন চলোৱাকে ধৰি গুৰুত্বপূৰ্ণ দিশসমূহৰ সজাগতাত অধিক প্ৰাধান্য দিয়াৰ লগতে এইসকল লোকক পথ-সুৰক্ষাৰ একো একোজন যোদ্ধা হিচাপে গঢ়ি তোলাৰ বাবে পৰিবহণ বিভাগৰ প্ৰয়াসৰ কথা উল্লেখ কৰে বিশেষ কতৰ্ব্যৰত বিষয়াগৰাকীয়ে। উল্লেখ্য যে কাইলৈ অনুষ্ঠিত হ'বলগীয়া সজাগতা অনুষ্ঠানত পথ-সুৰক্ষা বিষয়ক বাটৰ নাট, মুকাভিনয় আদি অনুষ্ঠিত হোৱাৰ লগতে কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত আয়ুক্তসহ পৰিবহণ বিভাগৰ উচ্চপদস্থ বিষয়া, নেহেৰু যুৱ কেন্দ্ৰৰ নেতৃবৰ্গ, শিক্ষাবিদৰ লগতে সমাজৰ বিভিন্ন ক্ষেত্ৰৰ ভালেকেইগৰাকী অগ্ৰণী ব্যক্তি উপস্থিত থাকি পথ-সুৰক্ষা সজাগতাক সমাজৰ সৰ্বস্তৰলৈ আগবঢ়াই নিয়াত ব্ৰতী হ'ব ।

# শিল্পী দিৱসত দুই লোকশিল্পীক সম্বৰ্ধনা



**ই-সংবাদ, মৰাণ, ১৭ জানুৱাৰীঃ** আজি ৰাজ্যজুৰি শিল্পী দিৱস উদযাপন কৰা হয়। অসম যুৱ পৰিষদৰ দ্বাৰা মৰাণৰ খোৱাং অঞ্চলতো শিল্পী দিৱসৰ দিনটোত দুই লোকশিল্পীক সম্বৰ্ধনা জনোৱা হয়। অসম গণ পৰিষদৰ সভাপতিৰ নিৰ্দেশ মৰ্মে খোৱাঙৰ লোকশিল্পী হেম বৈৰাগী (গগৈ) আৰু মেঘ চুতীয়াক নিজ নিজ বাসগৃহত সম্বৰ্ধনা জনায়। উক্ত অনুষ্ঠানত অসম যুৱ পৰিষদৰ উপ-সভাপতি কুকিল ৰঞ্জন ফুকন, সমষ্টি সমিতিৰ সভাপতি দীপ চাংমাই, অতুল দত্ত, দুলাল কোঁৱৰ, যুৱ পৰিষদৰ সম্পাদক সতেন্দ্ৰ ডেকা, জিলা উপ-সভাপতি সীমান্ত গগৈ উপস্থিত থাকে।

# পশ্চিম যোৰহাটত শিল্পী দিৱস পালন

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৭ জানুৱাৰীঃ** ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতি দিৱস ৰাজ্যৰ অন্য স্থানৰ লগতে পশ্চিম যোৰহাট অঞ্চলৰ শিক্ষানুষ্ঠান, সাহিত্যানুষ্ঠান, সাংস্কৃতিক অনুষ্ঠান, পুথিভঁৰাল, যুৱক সংঘ, মহিলা সমিতি, অংগনৱাড়ী কেন্দ্ৰ আৰু এন জি অ'ই পালন কৰে। অসমীয়া সাহিত্যৰ সম্মিলনী, যোৰহাট জিলাই পশ্চিম যোৰহাটৰ সৰুচৰাই তিনিআলিত গীতে-মাতে পালন কৰে। পশ্চিম যোৰহাট লেখিকা সমাৰোহ সমিতিয়ে পুলিবৰ সাৰ্বজনীন দুৰ্গা মন্দিৰত শিল্পী দিৱস পালন কৰে। পশ্চিম যোৰহাট শাখা সাহিত্য সভা, পশ্চিম যোৰহাট সাংস্কৃতিক মহাসভাই সৃষ্টি এন জি অ'ৰ সহযোগত সুৰধ্বনি সংগীত বিদ্যালয়ত পালন কৰে। তৃণমূল জাতীয় বিদ্যালয়, টেকেলা গাঁৱে বিদ্যালয়খনত পালন কৰা শিল্পী দিৱসত শিক্ষাৰ্থীসকলে শিল্পীজনাই ৰচনা কৰা গীত পৰিৱেশন, গীতৰ আধাৰত নৃত্য প্ৰদৰ্শন,



কবিতা আবৃত্তিৰ লগতে শিল্পীজনাৰ সম্পৰ্কত বক্তব্য প্ৰদান কৰে। অঞ্চলটোৰ প্ৰায়বিলাক অনুষ্ঠানতে শিল্পী দিৱস পালনৰ মুহূৰ্তত জ্যোতিপ্ৰসাদৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি ধূপ-দীপ প্ৰজ্বলনৰ লগতে পুষ্পাঞ্জলি অৰ্পণ কৰে।

# যোৰহাটত 'সুৰক্ষিত অসমৰ বাবে বাটৰ নাট-২' ৰ শুভাৰম্ভণি

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৭ জানুৱাৰীঃ** এক সুৰক্ষিত ভৱিষ্যত গঢ়ি পৰৱৰ্তী প্ৰজন্মক শক্তিশালী কৰাৰ উদ্দেশ্য অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ পৃষ্ঠপোষকতাত সমগ্ৰ ৰাজ্যতে "সুৰক্ষিত অসমৰ বাবে বাটৰ নাট-২" শীৰ্ষক সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ইয়াৰ অংশস্বৰূপে যোৰহাট জিলাতো জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত বিভিন্ন প্ৰাকৃতিক দুৰ্যোগৰ সময়ত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাৰ লক্ষ্যৰে বাটৰ নাট কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে ১৬ জানুৱাৰীত পূব-যোৰহাট ৰাজহ চক্ৰৰ অন্তৰ্গত উন্নয়ন ছুপাৰ মাৰ্কেটৰ চৌহদত জিলা আয়ুক্ত জয় শিৱানীয়ে আনুষ্ঠানিকভাৱে ফ্লেগ অফ কৰি বাটৰ নাট কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। শুভাৰম্ভ অনুষ্ঠানত যোৰহাট পৌৰসভাৰ পৌৰপতি লখিমী খাৰঘৰীয়াই ভাষণ প্ৰদান কৰি বিভিন্ন প্ৰাকৃতিক দুৰ্যোগৰ সময়ত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ ক্ষেত্ৰত বাটৰ নাটসমূহে বিশেষ ভূমিকা বহন কৰিব বুলি উল্লেখ কৰি এই পদক্ষেপৰ শলাগ লয়। এই বাটৰ নাটসমূহৰ জৰিয়তে জিলাখনৰ বিভিন্ন নাট্যগোষ্ঠীৰ কলা-কৌশলীয়ে ভূমিকম্প, জুই, ধুমুহা, বজ্ৰপাত, বিজুলী-ঢেৰেকনি, বানপানী আদি প্ৰাকৃতিক দুৰ্যোগক মূল বিষয়বস্তু হিচাপে লৈ ৰাইজলৈ সজাগতামূলক বাৰ্তা প্ৰেৰণ কৰিব। শুভাৰম্ভ অনুষ্ঠানত যোৰহাট পৌৰসভাৰ উপ-পৌৰপতি, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, অতিৰিক্ত জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া, ৰাজহ চক্ৰ বিষয়া, অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বিষয়া প্ৰমুখ্যে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। আনহাতে, পশ্চিম যোৰহাট ৰাজহ চক্ৰৰ অন্তৰ্গত মালৌ আলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদটো বাটৰ নাট কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। উল্লেখ্য যে এই বাটৰ নাট কাৰ্যসূচী জিলাখনৰ আটাইকেইটা ৰাজহ চক্ৰৰ বিভিন্ন এলেকা সামৰি অব্যাহত থাকিব।




উজান বজাৰত গুৱাহাটী ছাত্ৰ সন্থাৰ শিল্পী দিৱস উদযাপন, শুকুৰবাৰে

# সদৌ অসম শিল্পী সমাজৰ উদ্যোগত বৰবাৰীত শিল্পী দিৱস উদযাপন

**ই-সংবাদ, গুৱাহাটী, ১৭ জানুৱাৰীঃ** আজি সদৌ অসম শিল্পী সমাজৰ উদ্যোগত গুৱাহাটী মহানগৰীৰ বৰবাৰীস্থিত দুৰ্গা পূজা মন্দিৰ প্ৰেক্ষাগৃহত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পবিত্ৰ স্মৃতি দিৱস 'শিল্পী দিৱস' হিচাপে আড়ম্বৰপূৰ্ণ পৰিৱেশৰ মাজত অনুষ্ঠিত কৰে। প্ৰাককথনতে মহান মনীষী জনাৰ স্থিৰচিত্ৰত বন্তি প্ৰজ্বলন আৰু পুষ্পাৰ্ঘ্য অৰ্পণ কৰে ভিন ভিন প্ৰান্তৰ পৰা অহা শিল্পী কলা-কুশলীসকলে। ইয়াৰ পিছতে শিল্পী সমাজৰ সভাপতি তথা বিশিষ্ট অভিনেতা, পৰিচালক প্ৰাঞ্জল শইকীয়াৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যাৰ লগতে আদৰণি ভাষণ দিয়ে শিল্পী সমাজৰ সাধাৰণ সম্পাদক তথা বিশিষ্ট কণ্ঠশিল্পী দুলাল দাসে। আকাশবাণী আৰু দূৰদৰ্শনৰ নিয়মীয়া কণ্ঠশিল্পী তথা সুৰকাৰ ডিজেন কাকতিয়ে পৰিৱেশন কৰা জ্যোতি সংগীতেৰে সভাখনি উদ্বোধন কৰা হয়। সভাত ভাষণ দি অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ সদস্য তথা পৰাগজ্যোতি প্ৰকাশনৰ সচিব দীপক শৰ্মাই কয় যে জ্যোতিপ্ৰসাদ আগৰৱালাক আন্তৰ্জাতিক পৰ্যায়ত তুলি ধৰিব নোৱাৰাটো আমাৰ বাবে দুৰ্ভাগ্যজনক। তেওঁ ভাৰতৰ ১০ জন মহান মনীষীৰ এজন। জ্যোতিপ্ৰসাদ আগৰৱালাৰ বিষয়ে নতুন প্ৰজন্মৰ মাজত জনপ্ৰিয় কৰিবলৈ ৰাজ্যৰ প্ৰতিখন চৰকাৰী-বেচৰকাৰী বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠান অনুষ্ঠিত কৰিব লাগে। সভাত ভাষণ দি শিল্পী সমাজৰ কাৰ্যকৰী সভাপতি তথা বিশিষ্ট সাংস্কৃতিক কৰ্মী গোপাল জালানে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা, ভূপেন হাজৰিকাৰ জীৱন আৰু কৰ্ম বিষয়ক ৰচনা বিদ্যালয়-মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিবলৈ চৰকাৰৰ দৃষ্টিগোচৰ কৰে। তেওঁ কয় যে নতুন প্ৰজন্মৰ মাজত তেতিয়াহে সঠিক মূল্যাংকন কৰা হ'ব। অনুষ্ঠানত ডº বিনিতা দেৱী, ডº নিখিলেশ বৰুৱা, মুনীন শইকীয়া, পৰেশ কাকতি, নিকুঞ্জ মেধি, লৰ্ড দাস প্ৰভৃতিয়ে জ্যোতিপ্ৰসাদ আগৰৱালাৰ কালজয়ী গীত গাই অনুষ্ঠানটি প্ৰাণৱন্ত কৰি তোলে। সভাপতিৰ ভাষণত শিল্পী সমাজৰ সভাপতি প্ৰাঞ্জল শইকীয়াই কয় যে জ্যোতি প্ৰসাদ আগৰৱালাক আমি সাঁচা অৰ্থত তুলি ধৰিব লাগিব। তেওঁৰ বহুমুখী প্ৰতিভাসমূহ মানুহৰ হৃদয়ে হৃদয়ে লৈ যাব লাগিব।

# অইল ইণ্ডিয়া লিমিটেডক দক্ষিণ সোণাৰি অঞ্চলৰ সমস্যা সমাধানৰ দাবী আছুৰ

**ই-সংবাদ, সোণাৰি, ১৭ জানুৱাৰীঃ** চৰাইদেউ জিলাৰ সদৰ সোণাৰিৰ সমীপৱৰ্তী গুটিঘাট, নগানদী অঞ্চলত অইল ইণ্ডিয়া লিমিটেডৰ খনন কাৰ্য অব্যাহত থকাত সৃষ্টি হোৱা সমস্যা সমাধানৰ দাবী উত্থাপন কৰিছে সোণাৰি আঞ্চলিক ছাত্ৰ সন্থাই। উল্লেখ্য যে, অইল ইণ্ডিয়া লিমিটেডে ২০২০ চনতে এটা তৈলখাদ স্থাপন কৰিছিল যদিও কিছুদিনৰ পিছতে উৎপাদন নকৰাকৈ তৈলক্ষেত্ৰ উঠি যোৱা দৃষ্টিগোচৰ হৈছিল। সোণাৰি আঞ্চলিক ছাত্ৰ সন্থাই ২০২০ চনৰ ১৫ ফেব্ৰুৱাৰী তাৰিখে এই তৈলক্ষেত্ৰৰ পৰা সমগ্ৰ দক্ষিণ সোণাৰি অঞ্চলত সৃষ্টি হোৱা সমস্যাৰ বিষয়ে অৱগত কৰি এখনি স্মাৰক পত্ৰ প্ৰেৰণ কৰিছিল অইল ইণ্ডিয়া কৰ্তৃপক্ষলৈ। বাৰম্বাৰ স্মাৰক পত্ৰ আৰু দাবী পত্ৰ প্ৰেৰণ কৰাৰ পাছতো অইল ইণ্ডিয়া লিমিটেডে কোনো সঁহাৰি নিদিয়াত পৰৱৰ্তী সময়ত সোণাৰি আঞ্চলিক ছাত্ৰ সন্থাই উক্ত তৈলক্ষেত্ৰ অনিৰ্দিষ্ট কাললৈ বন্ধৰ দৰে কাৰ্যসূচী গ্ৰহণ কৰাত সেই বছৰৰে ২৪ আগষ্টত জিলা উপায়ুক্তৰ নেতৃত্বত অইল ইণ্ডিয়া লিমিটেডৰ বিষয়ববীয়াৰ সৈতে ছাত্ৰ সন্থা আৰু ৰাইজৰ এখনি বৈঠক অনুষ্ঠিত হয় আৰু উক্ত বৈঠকত অইল ইণ্ডিয়া লিমিটেডে ছাত্ৰ সন্থাৰ দাবীসমূহ মানি কাম-কাজ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। কিন্তু পৰৱৰ্তী সময়ত সেই প্ৰতিশ্ৰুতি পূৰণত ব্যৰ্থ হয় অইল ইণ্ডিয়া লিমিটেড। তৈল কোম্পানীৰ জৰিয়তে নিজৰ খনন কাৰ্য সম্পন্ন কৰিছিল যদিও প্ৰতিশ্ৰুতিসমূহ পূৰ্ণ নকৰিলে। ইয়াৰ পৰিপ্ৰেক্ষিতত সোণাৰি আঞ্চলিক ছাত্ৰ সন্থাই তেতিয়াৰে পৰা কোনো ব্যক্তিগত কোম্পানীক খনন আৰু উৎপাদন কাৰ্য নকৰাবলৈ অইল ইণ্ডিয়া লিমিটেডৰ ওচৰত দাবী জনায়। কিন্তু অইল ইণ্ডিয়া লিমিটেডে একে ঠাইতে পুনৰ খনন কৰিবলৈ কুইপ' (Quippo) নামৰ এটা ব্যক্তিগত কোম্পানীক নিবিদা দিয়ে যাৰ ফলত সমগ্ৰ অঞ্চলটোত বিভিন্ন ধৰণৰ সমস্যাই গা কৰি উঠা পৰিলক্ষিত হৈছে। বিশেষকৈ বুজন পৰিমাণৰ যান-বাহন চলাচল কৰাত অঞ্চলটোৰ একমাত্ৰ পথটো শোচনীয় হৈ পৰিছে। ফলত ৰাইজে যাতায়াতৰ ক্ষেত্ৰত জীয়াতু ভুগিব লগা হৈছে। ইয়াৰ উপৰি যি স্থানত খনন আৰু উৎপাদন কৰিব তাৰ সন্মুখত থকা নগানদী বনগাঁও প্ৰাথমিক বিদ্যালয় আৰু দাঁতি-কাষৰীয়া বিদ্যালয়সমূহৰ শৈক্ষিক পৰিৱেশ বিনষ্ট হোৱাৰ লগতে গাতে লাগি থকা অভয়পুৰ সংৰক্ষিত বনাঞ্চলৰ প্ৰতি ভাবুকিৰ সৃষ্টি হোৱাৰ আশংকাত ভুগিছে স্থানীয় লোকসকল। সেয়েহে উক্ত বিষয়টো গুৰুত্বসহকাৰে লৈ সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সদৌ চৰাইদেউ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক মৃণ্ময় বড়াৰ লগতে সোণাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অংকিত বৰুৱা আৰু সাধাৰণ সম্পাদক আকাশ নাথৰ নেতৃত্বত সোণাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ এটি সঁজাতি দলে জিলা আয়ুক্তক এখন স্মাৰক পত্ৰ প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষিত ভৱিষ্যত আৰু পৰিৱেশৰ প্ৰতি অহা ভাবুকি ৰোধ কৰিবলৈ দাবী জনায়।

## উজনি অসমৰ সন্তানহীন দম্পত্তিৰ বাবে সু-খবৰ!

# যোৰহাটত মুকলি কৰা হ'ল আই ভি এফ আৰু ফাৰ্টিলিটি চেণ্টাৰ

**ই-সংবাদ, যোৰহাট, ১৭ জানুৱাৰীঃ** সন্তানহীন দম্পত্তিৰ বাবে এক সু-খবৰ! যিসকল দম্পত্তী এটা সন্তানৰ কাৰণে দীৰ্ঘদিনে হাহাকাৰ কৰি আহিছে, তেওঁলোকৰ বাবে ভাল খবৰ! ডিব্ৰুগড়ৰ পাছত উজনি অসমৰ যোৰহাট দ্বিতীয়খন চহৰ য'ত শুকুৰবাৰে মুকলি কৰা হয় এটা আই ভি এফ আৰু ফাৰ্টিলিটি চেণ্টাৰ। উদীয়মান দুই যুৱ চিকিৎসক ডাঃ বিজয় কুটুম আৰু ডাঃ তাৰিণী নাথে যোৰহাট নগৰৰ তৰাজানৰ ক্ৰাইষ্টেল বিল্ডিঙত এই চেণ্টাৰ আৰম্ভ কৰিছে। আজি এই চেণ্টাৰ আনুষ্ঠানিকভাৱে মুকলি কৰে চিকিৎসকদ্বয়ৰ মাতৃ, শহুৰ আৰু শাহুৰে। এই চেণ্টাৰত সন্তানহীনতাৰ সকলো আধুনিক চিকিৎসা উপলব্ধ হ'ব। বিশ্বমানৰ সা-সৰঞ্জাম ইয়ালৈ অনা হৈছে। দুখীয়া আৰু আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ বাবে থাকিব বিশেষ ৰেহাই।

# ছিপাঝাৰত সোৱণশিৰি আঞ্চলিক যুৱ বিকাশ মঞ্চৰ উদ্যোগত ভোগালী বিহু উদযাপন

**ই-সংবাদ, ছিপাঝাৰ, ১৭ জানুৱাৰীঃ** ছিপাঝাৰ সমজিলাৰ দেবানন্দ গাঁৱৰ অগ্ৰণী স্বেচ্ছাসেৱী অনুষ্ঠান সোৱণশিৰি আঞ্চলিক যুৱ বিকাশ মঞ্চৰ উদ্যোগত ১৪, ১৫ আৰু ১৬ জানুৱাৰীত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে নৰম বাৰ্ষিক ভোগালী বিহু উদযাপন কৰা হয়। অনুষ্ঠানৰ প্ৰথম দিনা পতাকা উত্তোলনেৰে তিনিদিনীয়া কাৰ্যসূচীৰ শুভাৰম্ভ হোৱাৰ পিছত ক্ৰমে বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা, সাহিত্য প্ৰতিযোগিতা, সাংস্কৃতিক প্ৰতিযোগিতা আদিৰ উপৰি সদৌ অসম ভিত্তিত এখনি মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ অৰ্ধ শতাধিক দৌৰবিদে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনিত ঢকুৱাখনাৰ অনন্ত কোঁচে প্ৰথম স্থান, ছয়গাঁৱৰ জমিৰ আলীয়ে দ্বিতীয় স্থান আৰু বৰপেটাৰ আমিনুল হকে তৃতীয় স্থান অধিকাৰ কৰে। আনহাতে, অন্তিম দিনা অনুষ্ঠিত হোৱা নগদ ধন সম্বলিত আকৰ্ষণীয় ভেশচন প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী গৌতমানন্দ গোস্বামীয়ে। অনুষ্ঠানৰ তিনিও দিনৰ কাৰ্যসূচীত ৰাইজৰ ব্যাপক সঁহাৰি আছিল উল্লেখনীয়।

# ৰঞ্জিত বৰ্মনৰ 'স্মৃতিৰ চাকনৈয়াত শব্দৰ মায়াজাল' নামৰ স্বৰচিত কবিতা পুথি উন্মোচন

**ই-সংবাদ, ছিপাঝাৰ, ১৭ জানুৱাৰীঃ** ছিপাঝাৰ সমজিলাৰ দেবানন্দ গাঁৱৰ অগ্ৰণী স্বেচ্ছাসেৱী অনুষ্ঠান সোৱণশিৰি আঞ্চলিক যুৱ বিকাশ মঞ্চৰ উদ্যোগত ১৪, ১৫ আৰু ১৬ জানুৱাৰীত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে নৰম বাৰ্ষিক ভোগালী বিহু উদযাপন কৰা হয়। অনুষ্ঠানৰ প্ৰথম দিনা পতাকা উত্তোলনেৰে তিনিদিনীয়া কাৰ্যসূচীৰ শুভাৰম্ভ হোৱাৰ পিছত ক্ৰমে বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা, সাহিত্য প্ৰতিযোগিতা, সাংস্কৃতিক প্ৰতিযোগিতা আদিৰ উপৰি সদৌ অসম ভিত্তিত এখনি মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ অৰ্ধ শতাধিক দৌৰবিদে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনিত ঢকুৱাখনাৰ অনন্ত কোঁচে প্ৰথম স্থান, ছয়গাঁৱৰ জমিৰ আলীয়ে দ্বিতীয় স্থান আৰু বৰপেটাৰ আমিনুল হকে তৃতীয় স্থান অধিকাৰ কৰে। আনহাতে, অন্তিম দিনা অনুষ্ঠিত হোৱা নগদ ধন সম্বলিত আকৰ্ষণীয় ভেশচন প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী গৌতমানন্দ গোস্বামীয়ে। অনুষ্ঠানৰ তিনিও দিনৰ কাৰ্যসূচীত ৰাইজৰ ব্যাপক সঁহাৰি আছিল উল্লেখনীয়।

# মৰিগাঁৱত সাহিত্য সভাৰ শিল্পী দিৱস উদযাপন

**ই-সংবাদ, মৰিগাঁও, ১৭ জানুৱাৰীঃ** মৰিগাঁও জিলা সাহিত্য সভাৰ শশীকান্ত হাজৰিকা ভৱন আৰু প্ৰাংগণত আজি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৭৫ সংখ্যক স্মৃতি দিৱস অসম সাহিত্য সভাৰ পতাকা উত্তোলন, শ্ৰদ্ধাঞ্জলি, স্মৃতিচাৰণ আৰু গীত-মাত-কবিতাৰে শিল্পী দিৱস উদযাপন কৰা হয়। পুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে নৱ নিৰ্বাচিত জিলা সভাপতি ড০ হৰমোহন কলিতাই। স্মৃতি তৰ্পণ কৰে জিলা সভাৰ কাৰ্যালয়ৰ ভূমিদাতা নিখিল হাজৰিকাই। জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক প্ৰতাপ হাজৰিকাই আৰু মাল্যাৰ্পণ কৰে জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মিলেশ্বৰ পাতৰে। ইয়াৰ পিছতেই গীত-মাত-কবিতাৰ অনুষ্ঠান উদ্বোধন কৰে প্ৰাক্তন উপ-সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মাই। সাংস্কৃতিক অনুষ্ঠানটো পৰিচালনা কৰে শিল্পী ভদ্ৰেশ্বৰ ডেকা, প্ৰাঞ্জল বৰা আৰু তপন খৰাইয়ে। মালতী বৰ্মন, অনিৰুদ্ধ ডেকা জোনমণি গোস্বামী, পিনাকীভূষণ মহন্ত, যশোৱন্ত নাথ, ললিতা দেৱী, ৰমনীমোহন বৰুৱা প্ৰমুখ্যে শিল্পীসকলে জ্যোতি সংগীত আৰু কবিতা পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। কাৰ্যসূচীৰ আঁত ধৰে নৱ নিৰ্বাচিত জিলা সম্পাদক কুশল কুমাৰ বৰাই। অনুষ্ঠানত যোগদান কৰে বিদায়ী সম্পাদক ড০ অচ্যুত কুমাৰ দাস, অসম সাহিত্য সভাৰ প্ৰচাৰ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি অজিত শৰ্মা, মৰিগাঁও জিলা কৰ্মচাৰী পৰিষদৰ সম্পাদক খগেন মহন্ত, অৱসৰপ্ৰাপ্ত অধ্যক্ষ দেৱেশ্বৰ গোস্বামী, আকাশ উপ-সমিতিৰ সভানেত্ৰী অৰ্চনা শৰ্মা, কাৰ্যালয় সম্পাদক খগেন বৰা, পত্ৰিকা সম্পাদক প্ৰণৱ কুমাৰ ভট্টাচাৰ্য, বিত্ত সম্পাদক ৰোহিনী হাজৰিকা, জিলা কাৰ্যনিৰ্বাহক জয়কান্ত দাস প্ৰমুখ্যে সাহিত্য সেৱীসকল। ইফালে, মৰিগাঁও শতদল শাখা সাহিত্য সভাৰ উদ্যোগতো কাৰ্যালয় গুৰুচৰণ মেধি ভৱনত গীত মাত কবিতাৰে শিল্পী দিৱস উদযাপন কৰা হয়।

## সত্ৰশালত অগ্নিকাণ্ডত দুখন দোকান ভস্মীভূত

**ই-সংবাদ, গোলকগঞ্জ, ১৭ জানুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত ভাৰত-বাংলাদেশ সীমান্তৰ সত্ৰশালত যোৱা নিশা সংঘটিত ভয়ংকৰ অগ্নিকাণ্ডত দুখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান সম্পূৰ্ণ ৰূপে ভস্মীভূত হয়। জানিব পৰা মতে, ঘটনাস্থলীৰ কাষতে থকা ৰামৰাইকুঠী সত্ৰত নৈশ পহৰাৰত আৰক্ষীয়ে নিশা ডেৰ বজাত হঠাতে নাতিদূৰত শব্দ শুনিবলৈ পায়। আগবাঢ়ি যোৱাত আমজাদ আলীৰ কাপোৰৰ দোকানত জুই প্ৰত্যক্ষ কৰে। চিঞৰ-বাখৰ কৰাত ওচৰ চুবুৰীয়া আহি গোট খায়। হাতে হাতে সকলোৱে বাল্টিত পানী লৈ জুই নুমুৱাৰ আপ্ৰাণ চেষ্টা চলায়। লগে লগে ৰাইজে আগমনি আৰক্ষী আৰু গোলকগঞ্জ অগ্নিনিৰ্বাপক বাহিনীক অৱগত কৰে। ৰাইজে অশেষ কষ্ট কৰি জুই নিয়ন্ত্ৰণলৈ আনে। যাৰ ফলত ৰক্ষা পৰে কাষতে থকা শিশিৰ ৰায়ৰ বাসগৃহৰ লগতে কেইবাখনো ব্যৱসায়িক প্ৰতিষ্ঠান। এক ঘন্টা পিছত আহি অগ্নিনিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হয়। আমজাদ আলীৰ কাপোৰৰ দোকানৰ পৰা জুই আব্দুল জলিলৰ সাৰৰ দোকানত লাগে। নিমিষতেই ভস্মীভূত হয় দুয়োখন দোকান। জুইৰ সূত্ৰপাতৰ কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই। অগ্নিকাণ্ডত পোন্ধৰ-বিশ লাখ টকাৰ সা-সামগ্ৰী ভস্মীভূত হোৱা বুলি অনুমান কৰা হৈছে।

## নলবাৰীত বিশেষ টীকাকৰণ অভিযান আৰম্ভ

**ই-সংবাদ, নলবাৰী, ১৭ জানুৱাৰীঃ** সমগ্ৰ অসমৰ লগতে নলবাৰী জিলাতো আজিৰে পৰা অৰ্থাৎ ১৭-২৫ জানুৱাৰীলৈ বিশেষ টীকাকৰণ অভিযান আৰম্ভ কৰা হৈছে। শিশু আৰু গৰ্ভৱতী মাতৃসকলৰ ভৱিষ্যত ৰক্ষাৰ বাবে কৰা প্ৰচেষ্টা সদায় অমূল্য। তেওঁলোকৰ সুৰক্ষিত ভৱিষ্যত নিশ্চিত কৰাৰ বাবে প্ৰতিষেধকৰ গুৰুত্ব সকলোৱে উপলব্ধি কৰাটো প্ৰয়োজনীয় আৰু স্বাস্থ্য যোগাযোগৰ জৰিয়তে সেই বাৰ্তা মানুহৰ মাজলৈ লৈ যোৱাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰা হৈছে। শিশু-গৰ্ভৱতী মহিলাৰ সুস্বাস্থ্যৰ লগতে এক পৰিকল্পিত জীৱনবোধৰ চিন্তা মানুহৰ মাজত প্ৰচাৰ আৰু প্ৰসাৰে এই অভিযানক অধিক গুৰুত্বপূৰ্ণ কৰি তুলিব বুলি আশা কৰা হৈছে। ০-২ বছৰ বয়সৰ তথা নিয়মীয়া টীকাকৰণৰ পৰা বাদ পৰি ৰোৱা শিশু আৰু গৰ্ভৱতী মহিলাসকলক এই অভিযানে সামৰি ল'ব। তদুপৰি ২-৫ বছৰ বয়সৰ সৰু আইৰ টীকাকৰণৰ পৰা বঞ্চিত শিশুসকলকো এই অভিযানে সামৰি ল'ব। এই বিশেষ টীকাকৰণ অভিযানৰ অধীনত গৰ্ভৱতী মহিলাসকলক টিডি প্ৰতিষেধক প্ৰদান কৰা হ'ব। শিশু আৰু গৰ্ভৱতী মহিলাসকলৰ সুৰক্ষিত ভৱিষ্যত তথা ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধিৰ লক্ষ্যৰে জিলাখনত আজিৰ পৰা এই অভিযান আৰম্ভ হৈছে। ২৫ টা শীতলীকৰণ কক্ষৰ পৰা পৰিচালিত হ'বলগীয়া এই অভিযানত জিলাখনৰ ৮৩০ গৰাকী শিশু আৰু ৮৪ গৰাকী গৰ্ভৱতী মহিলাক সামৰি লোৱাৰ উদ্দেশ্যে বিশেষ পৰিকল্পনাও যুগুত কৰা হৈছে। জিলাখনৰ সকলো চৰকাৰী চিকিৎসালয়কে প্ৰমুখ্য কৰি সৰ্বমুঠ ১২০ টা প্ৰতিষেধক কেন্দ্ৰত এই সুবিধা বিনামূলীয়াকৈ উপলব্ধ হ'ব। এই বিশেষ টীকাকৰণ অভিযানৰ সকলো কাম-কাজ UWIN পৰ্টেলৰ জৰিয়তে সম্পাদন কৰা হ'ব।

## ঘৰে ঘৰে গৈ ১২জনকৈ চহা শিল্পীক জনালে সম্বৰ্ধনা

# শিল্পী দিৱসত যুৱ ব্যৱসায়ী উৎপল বণিয়াৰ প্ৰশংসনীয় পদক্ষেপ

**ই-সংবাদ, বেবেজীয়া, ১৭ জানুৱাৰীঃ** কেঁচা সোণৰ অসমীয়া গহণাৰ অগ্ৰণী প্ৰতিষ্ঠা 'ডুগডুগী'ৰ স্বত্বাধিকাৰী উৎপল বণিয়াই সময়ে সময়ে সমাজৰ উন্নয়নৰ হকে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। আনকি বিগত দহ বছৰৰ পৰা উদ্যমী যুৱকজনে শিল্পী দিৱসৰ দিনা শিল্পীসকলক সম্বৰ্ধনা জনাই তেওঁলোকক উৎসাহিত কৰি আহিছে। তদ্ৰুপ এইবাৰো শুকুৰবাৰে শিল্পী দিৱসৰ দৰে পৱিত্ৰ দিনটোত মুঠ বাৰগৰাকী চহা শিল্পীক ঘৰে ঘৰে গৈ সম্বৰ্ধনা জনায় যুৱ ব্যৱসায়ী উৎপল বণিয়াই। ইয়াৰ অংশহিচাপে নগাঁও জিলাৰ চকলাঘাটৰ হাতীচোং সাহিত্য সভা সমাজ সাংস্কৃতিক সমিতিৰ উদ্যোগত তথা চকলাঘাট শাখা সাহিত্য সভা আৰু চকলাঘাট ৰাস মন্দিৰ পৰিচালনা সমিতিৰ সহযোগত আয়োজিত শিল্পী দিৱসৰ কাৰ্যসূচীত উপস্থিত হৈ সমাজপ্ৰিয় যুৱক উৎপল বণিয়াই তিনিগৰাকী প্ৰবীণ চহা শিল্পীক সম্বৰ্ধনা জনায়। এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত তেওঁ সত্ৰীয়া শিল্পী কেহুৰাম বৰা, প্ৰবীণ অভিনেতা দেৱ কুমাৰ বৰা আৰু লোকশিল্পী অজিত বৰাক ফুলাম গামোচা, জাপি, চেলেং, গছপুলি, স্মাৰক আদিৰে আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। তদুপৰি ইয়াৰ পিছতে উদ্যমী যুৱ ব্যৱসায়ী উৎপল বণিয়াই জিলাখনৰ বিভিন্ন প্ৰান্তত থকা প্ৰচাৰবিমুখ বিশিষ্ট সংগীত শিল্পী দিলীপ শইকীয়া, বিশিষ্ট অভিনেত্ৰী মদিনা দাস, চিত্ৰ শিল্পী শম্ভু শইকীয়া, ভাওনাৰ সাজ-সজ্জা



তৈয়াৰ কৰা শিল্পী জিতেন ডেকা, সংগীত শিল্পী খগেন নাথ, কুটীৰ শিল্পৰ শিল্পী অৰবিন্দ নাথ, গোলাপ বৰা, মুকেশ শইকীয়া আৰু প্ৰেমেশ্বৰ দাসক ঘৰে ঘৰে গৈ সম্বৰ্ধনা জনাই তেওঁলোকৰ দীৰ্ঘায়ু কামনা কৰে। এইদৰে শিল্পীসকলক সম্বৰ্ধনা জনাই পৰম সন্তুষ্টি লভা বুলি ব্যক্ত কৰি উদ্যমী যুৱক উৎপল বণিয়াই জাতি-ভেটি-মাটিৰ হকে সেৱা আগবঢ়াই অহা এই শিল্পীসকলক জীৱিত কালতেই প্ৰাপ্য সন্মান দিব লাগে বুলি উল্লেখ কৰি এইসকল চহা শিল্পীক চৰকাৰে প্ৰকৃত মৰ্যাদা প্ৰদানেৰে পৰ্যায়ক্ৰমে শিল্পী পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিব লাগে বুলি গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। উদ্যমী যুৱ ব্যৱসায়ী উৎপল বণিয়াই শিল্পী দিৱসৰ দৰে পৱিত্ৰ দিনটোত বাৰগৰাকী চহা শিল্পীক ঘৰে ঘৰে গৈ সম্বৰ্ধনা জনোৱা এনে প্ৰশংসনীয় পদক্ষেপৰ শলাগ লৈছে নগঞা সচেতন মহলে।

# বাক্সাৰ সুৰণখাটাত আৰম্ভ ভাৰত-ভূটান বন্ধুত্ব মেলাৰ লগতে ৭৩ সংখ্যক মাঘ মেলা

**ই-সংবাদ, মুছলপুৰ, ১৭ জানুৱাৰীঃ** শান্তি আৰু সম্প্ৰীতিৰ বাণী লৈ পুনৰ ভূটান পাহাৰৰ পৰা নামি আহিল ভূটীয়া কুৰমালাগা। বাক্সাৰ সুৰণখাটাত চেনেহ বিলাবলৈ আহিল ভূটীয়া কুৰমালাগা। উল্লেখ্য যে আজিৰে পৰা বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তৰ সুৰণখাটাত আৰম্ভ হৈছে ১৩ সংখ্যক ভাৰত-ভূটান বন্ধুত্ব মেলা আৰু ৭৩ সংখ্যক মাঘ মেলা। ইতিমধ্যে বিভিন্ন জাতি জনগোষ্ঠীৰ মিলনভূমিত পৰিণত হৈছে মেলাস্থলী। বড়ো, ৰাভা, গোৰ্খা, চাওতালী, কোচ-ৰাজবংশীৰ লগতে ভূটীয়াসকলৰ পৰম্পৰাগত লোক নৃত্য-গীতেৰে মুখৰিত হৈ পৰিছে সুৰণখাটাৰ আকাশ-বতাহ। ৮ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা মেলা উপলক্ষে আজি প্ৰথমখন তোৰণ উন্মোচন কৰে এছ এছ বিৰ ২৪ নং বেটেলিয়নৰ অধিনায়ক অনুজ কুমাৰ সিঙে। ইয়াৰ পিছতে বিটিআৰ পৰিষদৰ অধ্যক্ষ কাতিৰাম বড়োৱে মূল তোৰণৰ দ্বাৰ মুকলি কৰে। মূল তোৰণ মুকলি কৰি কাতিৰাম বড়োৱে সাতামপুৰুষীয়া মাঘ মেলাই অঞ্চলটোৰ জাতি-জনগোষ্ঠীসমূহক একতাৰ ডোলেৰে বান্ধি ৰখা বুলি মন্তব্য কৰে। ইয়াৰ পিছতেই ভাৰত আৰু ভূটানৰ পতাকা উত্তোলন কৰে ক্ৰমে মেলা উদযাপন সমিতিৰ প্ৰাক্তন সভাপতি খগেন পাঠক দাস আৰু ভূটানৰ চানদ্ৰুপজংখাৰ জিলাৰ মেয়ৰ দাচো থ্ৰমপনে। দুয়োখন দেশৰ ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনৰ পাছতে খগেন পাঠক দাসে ভাৰত-ভূটান বন্ধুত্ব মেলাই দুয়োখন দেশৰ সীমান্তৰ ৰাইজ বাণিজ্যিক আৰু সাংস্কৃতিক দিশত উপকৃত কৰিব বুলি মন্তব্য কৰে। তেওঁ লগতে কয় যে এই মেলাৰ মাধ্যমেৰে দুয়োখন দেশৰ নাগৰিকৰ মাজত সদ্ভাৱ, মিলাপ্ৰীতিৰ সৃষ্টি হ'ব। লগতে দুয়োখন দেশৰ সীমান্তৰ ৰাইজ অৰ্থনৈতিক ভাৱে লাভান্বিত হ'ব। ইয়াৰ পাছতে ভূটীয়াসকলৰ বাণিজ্যিক ষ্টল আৰু ফটো ষ্টল আনুষ্ঠানিকভাৱে মুকলি কৰে বিটিচিৰ ক্ষেত্ৰীয় গোৰ্খা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰাজু সুবেদীয়ে। ভাষণ প্ৰসংগত সুবেদীয়ে সুৰণখাটাত অনুষ্ঠিত ঐতিহাসিক মাঘ মেলাৰ লগতে ভাৰত-ভূটান বন্ধুত্ব মেলাই বৃহত্তৰ অঞ্চলটোত বসবাস কৰা বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত সমন্বয়ৰ সাঁকোৰ সৃষ্টি কৰিছে বুলি জানিবলৈ দিয়ে। প্ৰতিটো জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক মহামিলনে অঞ্চলটোক অধিক ত্বৰান্বিত কৰিছে বুলিও মন্তব্য কৰে। প্ৰণিধানযোগ্য যে ভাৰত-ভূটান বন্ধুত্ব মেলাত ভূটানৰ বিভিন্ন বাণিজ্যিক ষ্টলত বিভিন্ন খাদ্য সম্ভাৰ উপলব্ধ হোৱাৰ উপৰি সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰিব। মেলাত ভূটানত জৈৱিকভাৱে উৎপাদিত খাদ্য-সামগ্ৰীয়ে দৰ্শক তথা গ্ৰাহকক অধিক আকৰ্ষিত কৰিবলৈ সক্ষম হ'ব। বন্ধুত্বমেলাত উপস্থিত থাকি বিফাৰ সাধাৰণ সম্পাদক টৌগে চৌদেৰে দুয়োখন দেশৰ মিলা-প্ৰীতি পূৰ্বৰ দৰে চিৰদিন অটুত থকাৰ কামনা কৰে। আনহাতে, সুৰণখাটাত অনুষ্ঠিত এই মেলাৰ জৰিয়তে দুয়োখন দেশৰ সীমান্তৰ ৰাইজৰ মাজত সদভাৱ, মিলাপ্ৰীতি সুদৃঢ় হ'ব বুলি আশা ব্যক্ত কৰে বিফাৰ সাধাৰণ সম্পাদক টৌগে চৌদেৰে। ইয়াৰ পিছতে বাণিজ্যিক বিপণীসমূহ উন্মোচন কৰে বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য বনমালী বড়োৱে। উল্লেখ্য যে মেলাৰ প্ৰথম দিনটোৰ আন এক গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে অসম লোকসেৱা আয়োগৰ নৱ নিযুক্ত অধ্যক্ষ তথা সুৰণখাটা অঞ্চলৰ সু-সন্তান দেৱৰাজ উপাধ্যায়, তামুলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক জলেন দৈমাৰী, চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ কেবাগৰাকী চৰকাৰী বিষয়াৰ লগতে বিফাৰ সদস্যই।

## শ্ৰীমন্ত শংকৰ গুৰু নামধৰ্ম জনজাতি সমাজ, অসমৰ সোণালী জয়ন্তী আৰু কেন্দ্ৰীয় অধিৱেশন

**ই-সংবাদ, লাহৰীঘাট, ১৭ জানুৱাৰীঃ** শ্ৰীমন্ত শংকৰ গুৰু নামধৰ্ম জনজাতি সমাজ, অসমৰ সোণালী জয়ন্তী তথা ২৫ সংখ্যক দ্বি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনখন মৰিগাঁও জিলাৰ কুশতলিত ১৯, ২০ আৰু ২১ জানুৱাৰীত তিনিদিনীয়াকৈ আয়োজনৰ ব্যাপক প্ৰস্তুতি চলিছে। কুশতলি সাৰ্বজনীন ৰাস মন্দিৰৰ বৈকুণ্ঠ গামী লক্ষীৰাম পাতৰ সোঁৱৰণী ক্ষেত্ৰত সমাজৰ সোণালী জয়ন্তী তথা কেন্দ্ৰীয় অধিৱেশন অনুষ্ঠিত হ'ব। সোণালী জয়ন্তী তথা অধিৱেশনৰ কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱা প্ৰভাত ফেৰী, শৰাই অৰ্চন, খোল প্ৰসংগ, নাম প্ৰসংগ, বৃক্ষ ৰোপণ কাৰ্যসূচী আৰম্ভ হ'ব। ইয়াৰ পাছতে মূল দ্বাৰ উন্মোচন কৰিব সমাজৰ কেন্দ্ৰীয় প্ৰাক্তন সম্পাদক ধৰ্মকান্ত বৰদলৈয়ে। দুপৰীয়া আৰম্ভ হ'ব ভাগৱত পাঠ। আবেলি প্ৰতিনিধিৰ নাম পঞ্জীয়ন, দিহানাম, কেন্দ্ৰীয় সমিতিৰ অন্তিমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব। সন্ধিয়া সামূহিক বন্তি প্ৰজ্বলন, নাম প্ৰসংগ, প্ৰতিনিধি শিবিৰ মুকলি, ভোজনালয়ৰ দ্বাৰ উন্মোচন, প্ৰতিনিধি সভাৰ প্ৰথম বৈঠক, সাংস্কৃতিক অনুষ্ঠান আৰু নিশা মধ্য মাগুলিকৰ সেৱা বাহিনীয়ে মঞ্চস্থ কৰিব অংকীয়া নাট 'ৰাম বিজয়'। নাটখন উদ্বোধন কৰিব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন প্ৰধান সম্পাদক বাবুল বৰাই। একেদৰে দ্বিতীয় তথা ২০ জানুৱাৰীৰ পুৱা শৰাই অৰ্চন, পৰিৱেশ নিকাকৰণ, খোল প্ৰসংগ, নাম প্ৰসংগৰ পাছতে মূল ধৰ্ম ধ্বজাৰ লগতে ৫০ খন ধ্বজা আৰু পাঁচোটা মাগুলিকৰ পাঁচখন ধ্বজা উত্তোলন কৰা হ'ব। মূল ধ্বজা উত্তোলন কৰিব সমাজৰ পদাধিকাৰ প্ৰদীপ কুমাৰ বৰদলৈয়ে। ইয়াৰ পাছতে ক্ৰমে আলোচনা চক্ৰ, স্মৃতি তৰ্পণ আৰু সম্বৰ্ধনা অনুষ্ঠান আৰু দুপৰীয়া ভাগৱত পাঠ আৰম্ভ হ'ব। আবেলি পদাধিকাৰ প্ৰদীপ বৰদলৈৰ সঞ্চালনাত অনুষ্ঠিত হ'ব এখন মুকলি সভা। সভাত নিৰ্দিষ্ট বক্তা ৰূপে সমাজৰ কেন্দ্ৰীয় মুখ্য উপদেষ্টা প্ৰহ্লাদ মছৰং, যুৱ বক্তা ক্ৰমে ৰহা মহাবিদ্যালয়ৰ সহঃ অধ্যাপিকা উপাসনা বৰদলৈ আৰু উত্তৰ মাগুলিকৰ সেৱা বাহিনীৰ অধিনায়িকা দময়ন্তী ফাংচু উপস্থিত থাকিব। একেদৰে মুখ্য অতিথিৰূপে মন্ত্ৰী পীযুষ হাজৰিকা, বিশিষ্ট অতিথিৰূপে বিধায়ক ৰমাকান্ত দেউৰী, তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য পৰন মান্তাসহ বহু কেইগৰাকী আমন্ত্ৰিত অতিথি উপস্থিত থাকিব। অভ্যৰ্থনা সমিতিৰ সভাপতি তথা তিৱা স্বায়ত্ত পৰিষদৰ উপাধ্যক্ষ অংকুৰ দেউৰীয়ে আদৰণি অভিভাষণ পাঠ কৰা মুকলি সভাখনতে স্মৃতিগ্ৰন্থ 'কাণ্ডাৰী' উন্মোচন কৰা হ'ব। পাছত সন্ধিয়া বন্তি প্ৰজ্বলন, নাম প্ৰসংগ, প্ৰতিনিধি সভাৰ দ্বিতীয়খন বৈঠক আৰু বিষয় বাছনি সভা, সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে নিশা উত্তৰ মাগুলিকৰ আই মাতৃসকলে পৰিৱেশন কৰিব অংকীয়া নাট 'যুধিষ্ঠিৰ স্বৰ্গযাত্ৰা'। আনহাতে, অন্তিম তথা ২১ জানুৱাৰীত পুৱা শৰাই অৰ্চন, পৰিৱেশ নিকাকৰণ, নাম প্ৰসংগৰ পাছতে বাৰেৰহণীয়া কৃষ্টি সমদলেৰে ভাগৱত শোভাযাত্ৰা উলিওৱা হ'ব।

# শিল্পী দিৱস উপলক্ষে ধলিপাৰস্থিত জ্ঞানম বিদ্যা নিকেতনত বঁটা বিতৰণী সভা

**ই-সংবাদ, মির্জা, ১৭ জানুৱাৰীঃ** ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যু তিথি উপলক্ষে ৰাজ্যৰ ভিন্ন ভিন্ন প্ৰান্তত আজি আয়োজন কৰা হয় শিল্পী দিৱস। দক্ষিণ কামৰূপৰ পলাশবাৰীৰ সমষ্টিৰ ধলিপাৰত ব্যক্তিগত খণ্ডৰ বিদ্যালয় জ্ঞানম বিদ্যা নিকেতনতো আজি দিনজোৰা কাৰ্যসূচীৰে শিল্পী দিৱস আৰু বিদ্যালয়খনৰ বাৰ্ষিক বঁটা বিতৰণী সভা তথা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানৰ কাৰ্যসূচী পুৱা ৯ বজাত পতাকা উত্তোলন, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু পুষ্পাঞ্জলি অৰ্পণ, মঞ্চ মুকলি, মুকলি সভাৰ লগতে নিমন্ত্ৰিত শিল্পীৰ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই উপলক্ষে অনুষ্ঠিত মুকলি সভাৰ মঞ্চ মুকলি কৰে চিমিনা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰহুল আমিনে। উক্ত সভাত মুখ্য অতিথি হিচাপে নগৰবেৰাৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ সূৰ্য্য কলিতা, বিশিষ্ট অতিথি হিচাপে আয়াত ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, মিৰ্জাৰ সঞ্চালক অপূৰ্ব ভাগৱতী আৰু জাৰপাৰা জাতীয় বিদ্যালয়ৰ সঞ্চালক দৰবেজ আলীৰ লগতে আন আন কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।



# যোৰহাটত গেছৰ পাইপ ফাঁটি জ্বলিল জুই

**ই-সংবাদ, যোৰহাট, ১৭ জানুৱাৰীঃ** যোৰহাট পূজা ৰোডত সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা। যোৰহাট নগৰৰ জে পি আৰত অগ্নিকাণ্ড সংঘটিত হোৱাৰ পাছতেই হুৱা দুৱা লাগে অঞ্চলটোত। অগ্নিনিৰ্বাপক বাহিনীয়ে নিয়ন্ত্ৰণ কৰে অগ্নিকাণ্ড। খবৰ অনুসৰি শ্ৰমিকে পানীৰ পাইপ লাইনৰ কাম কৰি থকাৰ সময়তে গেছ পাইপ লাইন কটা যায় আৰু সেই সময়তে অগ্নিকাণ্ড সংঘটিত হয়। এই অগ্নিকাণ্ডৰ ফলত এগৰাকী শ্ৰমিক অগ্নিদগ্ধ হোৱা বুলি জানিব পৰা গৈছে।

# ৰূপকোঁৱৰলৈ ডুমডুমা শতদল সাহিত্য সভাৰ সশ্ৰদ্ধ সোঁৱৰণ

**ই-সংবাদ, ডুমডুমা, ১৭ জানুৱাৰীঃ** আজি সমগ্ৰ অসমৰ লগতে ডুমডুমাতো ডুমডুমা শতদল শাখা সাহিত্য সভাই অখিল ভাৰতীয় অগ্ৰৱাল সন্মিলন আৰু ডুমডুমা মাৰোৱাৰী যুৱ-মঞ্চৰ ডুমডুমা শাখাৰ সহযোগত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতি দিনটোত এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। এই উপলক্ষে, ইয়াৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিমূৰ্ত্তিত মাল্যৰ্পণ কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱাই। বন্তি প্ৰজ্বলন কৰে ডুমডুমাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱা, অখিল ভাৰতীয় অগ্ৰৱাল সমিতিৰ সভাপতি দীপক পাটাৱাৰীৰ লগতে মাৰোৱাৰী যুৱ মঞ্চৰ সভাপতি বিশাল শৰ্মাই। ইয়াৰ পিছতেই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটি মুকলি কৰে ডুমডুমা শতদল শাখা সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি দেবেন ডেকাই। ডেকাই উপস্থিত ৰাইজক আজিৰ শিল্পী দিৱসৰ তাৎপৰ্য্য ব্যাখ্যা কৰি অসমৰ জাতীয় জীৱনলৈ প্ৰভূত বৰঙণি আগবঢ়োৱা মনিযীগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। ভাষণ প্ৰসঙ্গত তেওঁ সকলোকে জ্যোতিপ্ৰসাদৰ আদৰ্শৰে আগবাঢ়ি আহি অসমীয়া ভাষা-সংস্কৃতিক আন্তৰিকতাৰে আঁকোৱালি ল'বলৈ আহ্বান জনায়। ইয়াৰ পিছতেই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰে ডুমডুমা শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিমলা বৰুৱা, ডুমডুমা নামঘৰ সমিতিৰ সম্পাদক অৱনি পাঠক, ডুমডুমা জ্যেষ্ঠ নাগৰিক সন্থাৰ সভাপতি গোবিন্দ ফুকন, ডুমডুমা প্ৰেছ ক্লাবৰ হৈ মনোজ বৰুৱা, সদৌ মৰাণ ছাত্ৰ সন্থাৰ কাৰ্যালয় সম্পাদক পদ্মজিত মৰাণ, ডুমডুমা আঞ্চলিক সমিতিৰ সম্পাদক সুৱজ মৰাণ, ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক সমুজ্জ্বল বৰা সোণোৱাল, মুক্তি যুঁজাৰু সন্মিলনৰ তিনিচুকীয়া জিলা সমিতিৰ সহঃ সম্পাদক মুকুল কুমাৰ ডেকা, ডুমডুমা পৌৰসভাৰ উপ-পৌৰপতি মণি দত্ত "ৰাৰিয়ৰ্চ" ৰ ডুমডুমা আঞ্চলিকৰ সভাপতি নিৰলা চৌধুৰী, আবৃত্তি আৰু সংস্কৃতি পৰিষদ, অসমৰ ডুমডুমা আঞ্চলিক সমিতিৰ সম্পাদিকা জোনালী শইকীয়া ডেকা, লটা'চ একাডেমীৰ হৈ গৌতম মেধি, ডুমডুমা নাগৰা নাম সংঘৰ হৈ ত্ৰিদীপ ডেকা, ডুমডুমা অটো' সন্থাৰ হৈ বিজু গগৈ, অগ্ৰৱাল সন্মিলনৰ সম্পাদক শুভম আগৰৱালা, মাৰোৱাৰী যুৱ মঞ্চৰ সম্পাদক হৰ্ষ বেৰিয়াল, জ্যেষ্ঠ সাংবাদিক ধীৰেন ডেকা, ৰূপাই হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰকাশ দত্ত, ডুমডুমা নামঘৰ সমিতিৰ প্ৰাক্তন সম্পাদক অজিত পাঠককে ধৰি বহুসংখ্যক উপস্থিত ৰাইজে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰে। ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সম্পাদক নিত্যানন্দ দাসে আঁত ধৰা অনুষ্ঠানটিত ৰূপকোঁৱৰৰ প্ৰতিমূৰ্তিস্থলীত সন্ধিয়া সমূহীয়াভাৱে বন্তি প্ৰজ্জ্বলন কৰা হ'য়। সন্ধিয়া আজাদ ৰোডস্থিত শাখাৰ নিজা ভৱনত জ্যোতিপ্ৰসাদৰ গীত-মাত কবিতাৰে "তোৰে মোৰে আলোকৰে যাত্ৰা " শীৰ্ষক এটি সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

# চিকিৎসক নাই! বাঘমাৰাচৰত ফাৰ্মাচিষ্টেৰে চলিছে স্বাস্থ্যকেন্দ্ৰ



**ই-সংবাদ, শিমলীতোলা, ১৭ জানুৱাৰীঃ** বৰপেটা জিলাৰ চেঙা সমিষ্টিৰ অন্তৰ্গত বাঘমাৰাচৰ নৈপৰীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰই পুনৰাই উন্মোচিত কৰিছে স্বাস্থ্য বিভাগৰ পায়ালগা ছবি। পৰিবৰ্তনকামী বিজেপি চৰকাৰখনে উন্নয়নৰ নামত ঢাক-ঢোল বজালেও গাওঁ অঞ্চলত যে ইয়াৰ প্ৰভাৱ একেবাৰে শূন্য তাৰে বাস্তৱ ছবি উদঙাই দিছে স্বাস্থ্য কেন্দ্ৰটোৱে। আছে গৰু নাবায় হাল, তেনে গৰু থকাতকৈ নথকাই ভাল বাক্যশাৰী যেন কাৰ্যত পৰিণিত হৈছে এটা চৰকাৰী চিকিৎসালয়ৰ ক্ষেত্ৰত। কিয়নো চিকিৎসক এজন আছে যদিও সপ্তাহত তিনি দিন উপস্থিত নথকাৰ ফলত বাকী তিনি দিন চিকিৎসক অবিহনেই ফাৰ্মাচিষ্টেৰে চলিছে চৰকাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটো। যাৰ ফলত বৃহত্তৰ বাঘমাৰা চৰৰ লগতে পাৰ্শ্ববৰ্তী কেইবাটাও অঞ্চলৰ ৰোগী সকলোৰ মাজত সৃষ্টি হৈছে এক হাহাকাৰময় পৰিস্থিতিৰ চিকিৎসালয় খনত নিতৌ পাৰ্শ্ববৰ্তী কেবাটাও অঞ্চলৰ শ শ ৰোগীয়ে চিকিৎসা কৰিবলৈ আহে যদিও চিকিৎসকৰ অনীয়মীয়া উপস্থিতিৰ বাবে বিনা চিকিৎসাই ঘূৰি যাব লগীয়া হোৱা বুলি সাংবাদিকৰ আগত ৰোগী সকলে সদৰী কৰে। সবাতকৈ পৰিতাপৰ বিষয় যে তিনি দিনৰ উপৰিও সুবিধা পালেই বিনাকাৰণত দীঘলীয়া অনুপস্থিতৰ অভিযোগ উত্থাপন কৰিছে একাংশই। চিকিৎসকৰ নিয়মীয়া অনুপস্থিতৰ বাবে ফাৰ্মাচিষ্টে এজনে চিকিৎসালয়খন চলোৱাৰ লগতে নিয়মিত ঔষধ যোগান ধৰিবলগীয়া হোৱাত যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱা পৰিলক্ষিত হৈছে। আটাইতকৈ দূৰ্ভাগ্যজনক কথা হ'ল যোৱা শুকুৰবাৰে মূৰত আঘাতপ্ৰাপ্ত ৰোগী এজনক চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰে ইনজেকশ্যন দিয়াত ৰোগীৰ আত্মীয়ই আপত্তি কৰাৰ দুৰ ব্যৱহাৰ কৰাৰ লগতে চিকিৎসালয়ৰ পৰা ওলাই যাবলৈ কয়। এতিয়া প্ৰশ্ন হয় আচলতে কাৰ ছত্ৰ ছায়াত চিকিৎসালয়খনত নিয়োজিত চিকিৎসক ডাঃ আফজাল ৰেজাই সপ্তাহত মাত্ৰ তিনি দিন উপস্থিত থাকিয়েই ভোগ কৰি আছে চৰকাৰী বেতন। চিকিৎসক জনৰ এনেবোৰ অভিযোগৰ কথা মন্দিয়া ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বি. পি. এম. চিৰনজিৱ মেদিৰ লগতে বৰপেটা জিলাৰ জইন ডিৰেক্টৰ হাসমত আলীক বাৰে বাৰে কোৱাৰ পিছত কোনো গুৰুত্ব নিদিয়া অভিযোগ উত্থাপন কৰিছে একাংশ সচেতন ৰাইজে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ হাততে ন্যাস্ত থকা স্বাস্থ্য বিভাগৰ এনে পয়ালগা ছবিয়ে সচেতন মহলৰ চৰ্চাৰ বিষয় হৈ পৰিছে। এনেদৰে আৰু কিমান দিন চিকিৎসা অবিহনে জীয়াই থাকিব লাগিব চৰাঞ্চলৰ ৰাইজে? স্বাস্থ্য বিভাগে শ শ ৰাইজৰ চিকিৎসাসেৱাক লৈ হেতালি খেলা চিকিৎসকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰি অঞ্চলবাসী ৰাইজক নিয়মীয়াকৈ চিকিৎসা প্ৰদান কৰিবলৈ সক্ষম হ'ব নে সেয়া হ'ব লক্ষণীয়।



# গোৰেশ্বৰত ৰূপকোঁৱৰৰ দিৱস উদযাপন

**ই-সংবাদ, ১৭ জানুৱাৰীঃ** ডিৱাইএফআই, এছএফআই, ভাৰতীয় গণনাট্য সংঘ আৰু সুৰ সংগম সংগীত মহাবিদ্যালয়ৰ উদ্যোগত গোৰেশ্বৰ মিলন নগৰত জনতাৰ শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যু তিথি গীতেৰে-মাতেৰে-কথাৰে ৰূপকোঁৱৰ দিৱস হিচাপে উদযাপন কৰা হয়। বিশিষ্ট কবি-সাহিত্যিক, গোৰেশ্বৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক অজিত তালুকদাৰে বন্তি প্ৰজ্জ্বলন আৰু বাওঁপন্থী নেতা প্ৰবীণ দাসে প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰাৰ পিছত বাৰেৰহনীয়া সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। বিশিষ্ট কবি অজিত তালুকদাৰে জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন-দৰ্শন সম্পৰ্কে বাখ্যা আগবঢ়াই। ভাৰতীয় গণনাট্য সংঘৰ শিল্পীসকলৰ সংগীত পৰিবেশন কৰাৰ লগতে জ্যোতি সংগীত পৰিৱেশন কৰে বহুকেইগৰাকী শিল্পীয়ে। আউৰীয়াপাৰা শৈক্ষিক ন্যাসৰ শিক্ষাৰ্থীসকলে পৰিৱেশন কৰা সৃজনীমূলক নৃত্যই দৰ্শকক আমোদ দিয়ে।

# কাৰ্বি আংলঙৰ নাম সলনিৰ জেআই কাথাৰৰ দাবীক নস্যাৎ এএছডিচি দলৰ

**ই-সংবাদ, ডিফু, ১৭ জানুৱাৰীঃ** কাৰ্বি আংলং জিলাৰ আঞ্চলিক ৰাজনৈতিক দল এপিএইচএলচি দলৰ সভাপতি জেআই কাথাৰে কাৰ্বি আংলং জিলাৰ নাম সলনি কৰি ট্ৰাইবেল লেণ্ড ৰখাৰ প্ৰচাৰ চলোৱা কাৰ্যৰ বিৰোধিতা কৰিছে এএছডিচি দলে। দলটোৰ প্ৰচাৰ সম্পাদক ডেনিয়েল টেৰণ আৰু সহকাৰী সম্পাদক সঞ্জয় কিলিঙে আজি এখন সংবাদমেলৰ জৰিয়তে দাবী কৰে যে, এপিএইচএলচি দলে কাৰ্বি আংলং জিলাৰ নাম সলনি কৰি ট্ৰাইবেল লেণ্ড কৰিব লাগে বুলি সজোৰে প্ৰচাৰ কৰি আছে। ইয়াৰ বিৰুদ্ধে এএছডিচি দলে পূৰ্বেও এখন সংবাদমেল অনুষ্ঠিত কৰি এই প্ৰস্তাৱৰ তীব্ৰ বিৰোধিতা কৰিছিল। এপিএইচএলচি দলৰ এই প্ৰস্তাৱ সম্পূৰ্ণ অসাংবিধানিক আখ্যা দি টেৰণে কয় যে, সংবিধানৰ ষষ্ঠ অনুসূচীৰ পেৰা ২০ত কাৰ্বি আংলং জিলা বুলি উল্লেখ আছে। ষষ্ঠ অনুসূচীৰ টেবুল পাৰ্ট-১, আইটেম নম্বৰ ২ত স্পষ্টভাৱে কাৰ্বি আংলং জিলা বুলি সন্নিবিষ্ট আছে। সেয়ে এইটো সলনি কৰাটো সম্ভৱ নহয়। এপ্এইছএলচি সভাপতি জেআই কাথাৰে কাৰ্বি আংলং নাম সলনি কৰি ট্ৰাইবেল লেণ্ড কৰিব লাগে বুলি দাবী কৰিছে। এগৰাকী প্ৰাক্তন আইএএছ বিষয়া হৈও কাথাৰে এই কথা নজনাটো দুখৰ বিষয় বুলি সংবাদমেলত দাবী কৰে। যদি কাথাৰে এই কথা জানি-শুনি কৈছে তেনেহ'লে তেওঁক ক্ষমা খোজাৰ দাবী তোলে। অসাংবিধানিক দাবী তোলাটো কাথাৰৰ স্বভাৱ বুলি সংবাদমেলত উল্লেখ কৰি টেৰণে কয় যে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন অবৈধ বুলি কাথাৰে উচ্চ ন্যায়ালয়ত গোচৰ তৰিছিল। এতিয়া পৰিষদৰ ম্যাদ পাঁচ বছৰত ভৰি দিছে। কাথাৰে তৰা গোচৰৰ কি হ'ল বুলি প্ৰশ্ন উত্থাপন কৰি বিজেপিৰ সৈতে বুজাবুজি কৰি উচ্চ ন্যায়ালয়ত এই গোচৰ নচলালে নেকি বুলিও প্ৰশ্ন কৰে। পৰিষদৰ ক্ষেত্ৰত ৰাজ্যপালে মন্ত্ৰী গোটৰ পৰামৰ্শত হস্তক্ষেপ কৰিব পাৰে বুলিও টেৰণে উল্লেখ কৰি কাথাৰে ষষ্ঠ অনুসূচীত ৰাষ্ট্ৰপতিয়েও হস্তক্ষেপ কৰিব নোৱাৰে বুলি কৰা দাবীক প্ৰত্যাহ্বান জনায়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# ডিব্ৰুগড়ত মঞ্চৰূপাৰ শিল্পী দিৱস পালন

**ই-সংবাদ, ডিব্ৰুগড়, ১৭ জানুৱাৰীঃ** ডিব্ৰুগড়ৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান মঞ্চৰূপাৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতি দিৱস তথা শিল্পী দিৱস আজি মঞ্চৰূপাৰ সদস্য/সদস্যাৰ উপস্থিতিত মিলন নগৰত অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত মঞ্চৰূপাৰ উপদেষ্টা সংগীতা বৰুৱাই বন্তি প্ৰজ্বলন কৰাৰ লগতে সভাপতি অনাতাঁৰ সংগীতশিল্পী সুৰেশ হাতিমূৰীয়াই ৰূপ কোঁৱৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি অনুষ্ঠানটি আগবঢ়ায়। সভাত সম্পাদক অৰুণ চেতীয়াই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। নৃত্যশিল্পী ৰঞ্জনা শৰ্মা বৰদলৈৰ লগতে মঞ্চৰূপাৰ সদস্য-সদস্যাসকলে অনুষ্ঠানটিত ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ মৃত্যু দিৱসক সন্মান জনাই শিল্পীজনাৰ সৃষ্টিশীল নৃত্য-গীত-কবিতা, আবৃত্তি আদিৰে আটকধুনীয়া কৰি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে। অনুষ্ঠানটিত কাৰ্যকৰী সভানেত্ৰী জোনালী খাউণ্ডে শলাগৰ শৰাই আগবঢ়ায়।

# চকলাঘাটত শিল্পী দিৱস পালন, গীতে-মাতে ৰূপকোঁৱৰক স্মৰণ

**ই-সংবাদ, বেবেজীয়া, ১৭ জানুৱাৰীঃ** নগাঁও জিলাৰ চকলাঘাটৰ হাতীচোং সাহিত্য সভা সমাজ সাংস্কৃতিক সমিতিৰ উদ্যোগত তথা চকলাঘাট শাখা সাহিত্য সভা আৰু চকলাঘাট ৰাস মন্দিৰ পৰিচালনা সমিতিৰ সহযোগত হাতীচোং সাহিত্য সভা সমাজ সাংস্কৃতিক সমিতিৰ প্ৰেক্ষাগৃহত শুকুৰবাৰে দিনযোৰা কাৰ্যক্ৰমণিকাৰে গীতে-মাতে শিল্পী দিৱস উদযাপনৰ লগতে 'গণশিল্পী সূৰ্য দাসলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন' শীৰ্ষ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত বিশিষ্ট নাট্যশিল্পী গম্ভীৰ শইকীয়াই ৰূপকোঁৱৰলৈ স্মৃতি তৰ্পণ আগবঢ়াই কাৰ্যসূচীৰ পাতনি মেলাৰ পিছতে গণশিল্পী সূৰ্য দাসৰ প্ৰতি স্মৃতি তৰ্পণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে প্ৰবীণ শিল্পী ক্ষিতেশ্বৰ বৰাই। অঞ্চলৰ বিভিন্ন দল-সংগঠনৰ লগতে গুণমুগ্ধই ৰাজহুৱাভাৱে শ্ৰদ্ধাঞ্জলি জনোৱা এই কাৰ্যসূচীতে সদ্য প্ৰয়াত প্ৰতিভাৱান শিল্পী ৰাজীৱ শদিয়াৰ প্ৰতিও শ্ৰদ্ধা নিবেদন কৰা হয়। ইয়াৰ পিছতে হাতীচোং সাহিত্য সভা সমাজ সাংস্কৃতিক সমিতিৰ সভাপতি দেৱ কুমাৰ বৰাৰ পৌৰোহিত্যত 'জ্যোতি স্মৰণ' অনুষ্ঠান অনুষ্ঠিত কৰা হয়। স্থানীয় মহিলা শিল্পীসকলৰ দ্বাৰা সমবেত সংগীত পৰিৱেশনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটিত কণকণ শিশুসকলৰ দ্বাৰা কবিতা, বক্তৃতা, নৃত্য, গীত আদি পৰিৱেশনেৰে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাক গভীৰভাৱে স্মৰণ কৰা হয়। কল্যাণ কুমাৰ বৰাই আঁত ধৰা মনোগ্ৰাহী অনুষ্ঠানটিত সাংবাদিক ৰাহুল দেৱ বৰদলৈ, দেৱ কুমাৰ বৰা, প্ৰকাশ মুদৈ, পৰেশ ভুঞা, কিৰণ দাস, গম্ভীৰ শইকীয়া, কৃতিকৃষ্টি বৰা আদিকে ধৰি কেইবাজনো শিল্পীয়ে গীত পৰিৱেশন কৰি উপস্থিত সকলোকে মুগ্ধ কৰি তুলিবলৈ সক্ষম হয়।



ইফালে, উক্ত স্থানতে চকলাঘাট শাখা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাখনিও অনুষ্ঠিত কৰা হয়। কাৰ্যসূচী অনুসৰি চকলাঘাট শাখা সাহিত্য সভাৰ সভাপতি উৎপল হাজৰিকাই পতাকা উত্তোলন কৰাৰ পিছতে বন্তি প্ৰজ্বলন কৰে প্ৰাক্তন গাঁও প্ৰধান মিলাৰাম বৰা, সমাজকৰ্মী অনন্ত শইকীয়া, কেশৰাম ভুঞা আৰু নীল বণিয়াই। লগতে স্মৃতি তৰ্পণ কৰে বিশিষ্ট শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্যই। ইয়াৰ পিছতে উৎপল হাজৰিকাৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত কৰা হয়। গোবিন চন্দ্ৰ বনিয়াই উদ্দেশ্য ব্যাখ্যা কৰা উক্ত সভাতে আগন্তুক দুবছৰৰ বাবে উৎপল হাজৰিকাক সভাপতি, যজ্ঞেশ্বৰ বৰা আৰু অতুল শইকীয়াক উপ সভাপতি আৰু মামনি শইকীয়াক সম্পাদক হিচাপে লৈ চকলাঘাট শাখা সাহিত্য সভাৰ নতুন কাৰ্যকৰী সমিতিখন গঠন কৰা হয়।

# যোৰহাটত জিলা উন্নয়ন সমিতিৰ বৈঠক সম্পন্ন

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৭ জানুৱাৰীঃ** যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত জিলা আয়ুক্তৰ সভাপতিত্বত জিলা উন্নয়ন সমিতিৰ বৈঠকখন ১৭ জানুৱাৰীত অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন বিভাগৰ কাম-কাজসমূহৰ বিষয়ে বিতংভাৱে পৰ্যালোচনা কৰে। সভাত জিলা আয়ুক্তগৰাকীয়ে আন্ত:সম্পৰ্কীয় বিভাগসমূহক ৫ টা ভিন্ন গোটত ভাগ কৰি সাপ্তাহিক পৰ্যালোচনাৰ কথা উল্লেখ কৰে। ইয়াৰ বাবে অহা সপ্তাহৰ পৰা গোটবদ্ধ বিভাগসমূহৰ সাপ্তাহিক পৰ্যালোচনা বৈঠক আৰম্ভ হ'ব। এই বৈঠকসমূহৰ উদ্দেশ্য হৈছে মুখ্যমন্ত্ৰী ডেশ্বব'ৰ্ডত থকা মূল সূচকসমূহৰ নিৰীক্ষণ আৰু অনুসৰণ কাৰ্যকৰী কৰা। সভাত কৃষি, শিক্ষা, খাদ্য-ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা, শক্তি, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ,পৰ্যটন, মাটি সংৰক্ষণ, শ্ৰম, আবকাৰী, নিয়োগ বিনিময় কেন্দ্ৰ , মীন, হস্ততাঁত আৰু বস্ত্ৰশিল্প, লোক নিৰ্মাণ, পৰিবহন, খাদ্য আৰু অসামৰিক যোগান বিভাগ, পশুপালন, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ, ৰেচম আদিৰ কাম-কাজৰ বিষয়ে জিলা আয়ুক্তগৰাকীয়ে জিলাখনৰ মুৰব্বী বিষয়াসকলৰ লগত আলোচনা কৰে। বিভাগীয় বিষয়াসকলে বিভাগীয় কাম-কাজসমূহৰ অগ্ৰগতিৰ বিষয়ে পাৱাৰ পইণ্ট প্ৰেজেণ্টেশ্বনৰ জৰিয়তে আয়ুক্তগৰাকীক অৱগত কৰে। জিলা আয়ুক্তগৰাকীয়ে জিলাখনত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনিৰ কাম-কাজসমূহ সমন্বয়ৰে নিয়াৰিকৈ আৰু নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পন্ন কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে।

# পুৰণিগুদামত শিল্পী দিৱস উদযাপন, পুৰণিগুদাম আঞ্চলিক শিশু সন্মিলন গঠন

**ই-সংবাদ, পুৰণিগুদাম, ১৭ জানুৱাৰী:** নগাঁওৰ পুৰণিগুদামৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান শঙ্খধ্বনি শিল্পী সমাজে নতুন বৰ্ষত ব্যতিক্ৰমী চিন্তাৰে পুৰণিগুদামৰ কেইবাখনো গাঁৱৰ শিশুসকলক লৈ সম্পাদক জ্ঞানদীপ হাজৰিকা আৰু ভাস্কৰ্যপূৰ্ণ গায়নৰ সামগ্ৰিক পৰিকল্পনাত "পুৰণিগুদাম আঞ্চলিক শিশু সন্মিলন" নামেৰে এটা নতুন শাখা মুকলি কৰে। শিশু সন্মিলনখন গঠন কৰাৰ মূলতে হৈছে শিশুসকলৰ মাজত নেতৃত্ব, বন্ধুত্ব, ভাতৃত্ববোধ, দায়িত্ববোধ, কৰ্তব্যবোধ তথা ব্যক্তিত্বৰ বিকাশ সাধন কৰা। জন্মলগ্নৰে শঙ্খধ্বনিয়ে শিশুসকলক কেন্দ্ৰ কৰিয়েই বিভিন্ন কাৰ্যসূচী লৈ আহিছে। এডাল বাঁহ কেঁচাতেই বিভিন্ন ধৰণে ভাজ দিব পৰা যায়। সেয়েহে শিশুসকলক যদি সৰুৰে পৰা তেওঁলোকৰ মাজত এনে ধৰণৰ কাৰ্যসূচী হাতত লৈ আগুৱাই লৈ যোৱা হয় তেন্তে অনাগত দিনত এখন সুন্দৰ সমাজৰ কল্পনা কৰিব পৰা যায় বুলি শঙ্খধ্বনিৰ সভাপতি দীপিকা বৰা গায়নে ভাষণ প্ৰসংগত উল্লেখ কৰে। উল্লেখ্য যে, পুৰণিগুদাম আঞ্চলিক শিশু সন্মিলনখনৰ শিল্পী দিৱস পালনৰ বাবে ৮ পৰা ১৪ বছৰীয়া শিশুসকলক লৈ এখনি উদযাপন সমিতি গঠন কৰা হয়। সমিতিখনৰ সভাপতি হৰ্ষিতা গায়ন, উপ-সভাপতি ক্ৰমে চুইটি হাজৰিকা (১৪), ভাৰ্গৱ জ্যোতি পৰাশৰ (১৪), ভাৰ্গৱ বৰা (১৩), সম্পাদকদ্বয় মৃগাংক শেখৰ ভূঞা (১৩) আৰু ডোৱাঁৰ কল্যাণ শইকীয়া (১৩), সহকাৰী সম্পাদক ক্ৰমে ত্ৰৈলোক্য গায়ন (১৩), নিকিতা শইকীয়া (১৩), সাংস্কৃতিক সম্পাদকদ্বয় দেবাংগ ভূঞা (১৩) আৰু অনুভৱ বৈৰাগী (১২), হিমশিখা গায়ন (১২), ধীতাশ্ৰী বৈৰাগী (১২) আৰু অভ্যৰ্থনা সম্পাদক চাণক্য চৰণ বৰা (১৩) বুলি শঙ্খধ্বনিৰ সম্পাদক জ্ঞানদীপ হাজৰিকা আৰু ভাস্কৰ্যপূৰ্ণ গায়নে জানিবলৈ দিয়ে। উল্লেখ্য যে, আজি বিয়লি শঙ্খধ্বনিৰ মূখ্য কাৰ্যালয়ত গায়ন বৈৰাগী গাঁৱৰ শিল্পী দিৱসৰ কাৰ্যসূচীত কে'বাগৰাকী যুৱ অতিথি অনুসূয়া স্বপ্না বৰা,যুক্তাক্ষী শইকীয়া,সুস্মিতা খাওন্দ আৰু তেজপুৰৰ মুগ্ধা শইকীয়া উপস্থিত থাকে। অতিথিবৃন্দক শিশুসকলে নিজ হাতেৰে প্ৰস্তুত কৰা উপহাৰেৰে আদৰণি জনায়।ইয়াৰ লগতে মূখ্য শিশু বক্তা হিচাবে শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী মাছুমা বেগমে শিশু তথা ৰাইজক সম্বোধি শিল্পী দিৱসৰ বক্তৃতা প্ৰদান কৰে। সাংস্কৃতিক অনুষ্ঠানত অনুভৱ বৈৰাগী আৰু ডোৱাঁৰ কল্যাণ শইকীয়াই কবিতা আবৃত্তি কৰে। সমবেত সংগীত পৰিৱেশন কৰে ক্ৰমে মৃগাংক শেখৰ ভূঞা, ডোৱাঁৰ কল্যাণ শইকীয়া, ত্ৰৈলোক্য গায়ন, দেৱাংগ ভূঞা, হন্বেষা দুৱৰা, চুইটি হাজৰিকা, হিমশিখা গায়ন, প্ৰাচুৰ্যা কাশ্যপ, গাৰ্গী শইকীয়া, ধীতাশ্ৰী বৈৰাগী, তনুশ্ৰী শাণ্ডিল্য, নিবিড় হীৰা, তনুশ্ৰী ৰাজখোৱা, নিকিতা শইকীয়া, স্নেহা শইকীয়া, ডিম্পী গায়ন, কৃতাঞ্জল শইকীয়া, তন্ময় গায়ন, ৰাজীৱ গায়ন, প্ৰাণজিৎ গায়ন, লিয়ান গায়ন, ভাৰ্গৱ জ্যোতি পৰাশৰ, ভাৰ্গৱী গায়ন, পাক্ষী গায়ন আৰু তবলা সংগত কৰে অনুভৱ বৈৰাগীয়ে। ইয়াৰোপৰি শিশুসকলে বক্তৃতা প্ৰদানৰ লগতে নৃত্য গীতৰে এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান পৰিৱেশন কৰে আৰু জাতীয় সংগীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি পৰে। শঙ্খধ্বনিৰ সম্পাদকদ্বয়ে জানিবলৈ দিয়ে যে, নতুনকৈ গঠন হোৱা পুৰণিগুদাম আঞ্চলিক শিশু সন্মিলনৰ পৰৱৰ্তী পৰ্যায়ত প্ৰতি খন গাঁৱৰ শিশুসকলক লৈ একোখনকৈ প্ৰাথমিক সন্মিলন গঠন কৰা হ'ব। পুৰণিগুদাম তথা চামগুৰি অঞ্চলত এয়াই হয়তো প্ৰথমতো শিশুসকলক লৈ গঠন হোৱা অনুষ্ঠান হ'ব।এইক্ষেত্ৰত বৃহত্তৰ অঞ্চলৰ ৰাইজ তথা সচেতন অভিভাৱক সকলৰ দিহা-পৰামৰ্শ আৰু সহযোগিতা শঙ্খধ্বনিয়ে আন্তৰিকতাৰে কামনা কৰাৰ লগতে বৰ্ণালী গায়ন,বিশ্বজিৎ গায়ন, চুমিত হাজৰিকা, হিমাশ্ৰী সেনাপতি, নিতীশ বৰা, লুনা গায়ন, আৰাধনা বৰ কাকতি, দুৱৰি শইকীয়া, শতভিষা গায়ন, কুঁৱলী শইকীয়াক বিশেষভাৱে কৃতজ্ঞতা জনাইছে।

# বটদ্ৰৱাত 'লোকশিল্পী বঁটা' প্ৰদান ঘুনুচাবাৰী ক্ষুদ্ৰ সংগ্ৰহালয়ৰ

**ই-সংবাদ, বেবেজীয়া, ১৭ জানুৱাৰীঃ** তাৰকা গায়ক হ'লেও শিল্পী নহ'বও পাৰে। শিল্পীয়ে সমাজত ঝাৰুদাৰৰ ভূমিকা গ্ৰহণ কৰে।- এই বক্তব্য নিবন্ধকাৰ মোহিনী মোহন ডেকাৰ। ঘুনুচাবাৰী ক্ষুদ্ৰ সংগ্ৰহালয়ৰ উদ্যোগত শুকুৰবাৰে লোকশিল্পী বঁটা প্ৰদান অনুষ্ঠানত সভাপতিৰ আসন অলংকৃত কৰি তেওঁ লগতে ইতিবাচক পৰিবৰ্তন আমি গ্ৰহণ কৰিব লাগে। নেতিবাচক পৰিবৰ্তন বাদ দিব লাগে বুলিও ভাষণ প্ৰসংগত মন্তব্য কৰে। আচলতে, ২০১৬ চনত শিল্পী ৰাজীৱ কুমাৰ মহন্তৰ উদ্যোগত শিল্পী দিৱসৰ দিনটোতে বটদ্ৰৱা দৌল মন্দিৰ পথত আৰম্ভ কৰা হৈছিল 'ঘুনুচাবাৰী ক্ষুদ্ৰ সংগ্ৰহালয়' শীৰ্ষক সাংস্কৃতিক সংগ্ৰহালয়টি। সেয়ে ঘুনুচাবাৰী ক্ষুদ্ৰ সংগ্ৰহালয়ৰ নৱম বৰ্ষপূৰ্তি অনুষ্ঠানৰ লগত সংগতি ৰাখি ৰাজ্যৰ তিনিগৰাকী বিশিষ্ট শিল্পীক সম্বৰ্ধনা জনোৱা হয়। বিশিষ্ট সত্ৰীয়া শিল্পী প্ৰণৱ প্ৰাণ গোস্বামী, ভাস্কৰ্য শিল্পী পংকজ কুমাৰ মহন্ত আৰু সত্ৰীয়া শিল্পী কেহুৰাম বৰাক গামোচা, চেলেং, প্ৰশস্তি পত্ৰ, ফুলৰ পুলিৰ লগতে ৰাজীৱ কুমাৰ মহন্তই নিজ হাতেৰে সাজি উলিওৱা সঁফুৰা শৰাই প্ৰদান কৰি সম্বৰ্ধনা জনোৱা হয়। ৰাজীৱ কুমাৰ মহন্তই আঁত ধৰা অনুষ্ঠানটি শিশু শিল্পী অঞ্জন কৃষ্ণ আৰু দেৱাংগনাৰ কণ্ঠত "মোৰ মন বনতে" শীৰ্ষক জ্যোতি সংগীতটি উন্মোচন কৰে বিশিষ্ট গল্পকাৰ শিৱানন কাকতিয়ে। উন্মোচনৰ লগে লগে উক্ত গীতটোত ক্ষেমাশ্ৰী মহন্তই নৃত্য পৰিৱেশ কৰাৰ বিপৰীতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ছবি অংকন কৰে চিন্ময় শৰ্মাই। বৰগীত, সত্ৰীয়া নৃত্য, জ্যোতি সংগীত, কবিতা আবৃত্তিৰ আদি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ সমাহাৰে অনুষ্ঠিত হোৱা মনোগ্ৰাহী অনুষ্ঠানটিত শিল্পী দিপাংক গিৰি দেৱ গোস্বামী, প্ৰেমেশ্বৰ ঠাকুৰীয়া, ৰাজু শইকীয়া, তৰুণ শইকীয়া, তৰুলতা মহন্ত, অৰুণ দেৱনাথ, লীলা গোস্বামী, ভাগেন্দ্ৰ মহন্ত, সাংবাদিক দিব্যজ্যোতি বৰুৱা, নিতুমণি গোস্বামীকে আদি কৰি শতাধিক লোক উপস্থিত থাকে।

# নৱজ্যোতিৰ অগ্ৰগতি মৰিগাঁৱত প্ৰিমিয়াৰ ক্লাৱ চেম্পিয়নশ্বিপ

**ই-সংবাদ, মৰিগাঁও, ১৭ জানুৱাৰীঃ** অসম ক্ৰিকেট সন্থাৰ পৰিচালিত আৰু মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ সহযোগত আজিৰে পৰা ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা সপ্তম সংখ্যক অসম প্ৰিমিয়াৰ ক্লাৱ চেম্পিয়নশ্বিপৰ মৰিগাঁও মণ্ডলৰ উদ্বোধনী খেলখনত মৰিগাঁও নৱজ্যোতি ক্লাবে বৰঙাবাৰী উদয়জ্যোতি সংঘক তিনি উইকেটত পৰাস্ত কৰি সম্পূৰ্ণ পইন্ট অৰ্জন কৰে। খেলখনত প্ৰথম বেটিং কৰি বৰঙাবাৰী উদয় জ্যোতি সংঘই ৩৫.৪ অভাৰত চিন্ময় বৰাৰ আকৰ্ষণীয় ৬৭ আৰু অপূৰ্ব বৰদলৈৰ ২১ ৰানৰ বৰঙণিৰ সহায়ত সকলো উইকেট হেৰুৱাই ১৪৯ ৰাণ সংগ্ৰহ কৰে। বলিঙত নৱজ্যোতিৰ হৈ শশাঙ্ক বৰদলৈয়ে ৩ টা, দিবাকৰ দাস আৰু অক্ষত সিংহালে ২ টাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত লক্ষ্য অনুসৰণ কৰি মৰিগাঁও নৱজ্যোতি ক্লাবে চৌতন্য কৌশলৰ দায়িত্বশীল অপৰাজিত ৬৩ আৰু ধ্ৰুৱ ভাধাভানাৰ সময়োচিত ৩২ ৰানৰ অৱদানৰে ২৪.৪ অভাৰত ৭ টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। বৰঙাবাৰীৰ হৈ বলিঙত চিন্ময় বৰা, প্ৰাণকৃষ্ণ কাকতি আৰু অপূৰ্ব বৰদলৈয়ে ২ টাকৈ উইকেট দখল কৰে। অজিউল্লা খান আৰু নজৰুল ইছলামে পৰিচালনা কৰা আজিৰ খেলৰ শ্ৰেষ্ঠ খেলুৱৈ শশাঙ্ক বৰদলৈক অসম ফুটবল সন্থাৰ উপ-সভাপতি জিতু বৰদলৈয়ে বঁটা প্ৰদান কৰে। ৰোমাঞ্চকৰ খেলখন কেইবাশতাধিক দৰ্শকে উপভোগ কৰে।

# নাজিৰাত পৰম্পৰাগত নাও খেল সম্পন্ন

**ই সংবাদ, গেলেকী, ১৭ জানুৱাৰীঃ** নাজিৰা সম জিলাৰ ওপৰ নাজিৰাত পৰম্পৰাগত নাও খেল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। অনুসূচিত জাতি যুৱ ছাত্ৰ পৰিষদ, অসমৰ উদ্যোগত তথা উইথ বিল্ড ফাউণ্ডেশ্যনৰ সহযোগত এই পৰম্পৰাগত নাওখেল প্ৰতিযোগিতা আয়োজন কৰা হৈছে। বৰ্শিষ্ঠ গংগাখ্যাত নাজিৰা দিখৌ নৈত অনুষ্ঠিত হয় এই পৰম্পৰাগত নাওখেল প্ৰতিযোগিতা। উজনি অসমৰ দহটা দলে অংশ গ্ৰহণ কৰে এই পৰম্পৰাগত নাওখেল প্ৰতিযোগিতাত। পঞ্চম বৰ্ষৰ বাবে অনুষ্ঠিত হয় এই নাওখেল প্ৰতিযোগিতা। পৰম্পৰাগত এই নাওখেল চাবলৈ ওপৰ নাজিৰাৰ দিখৌৰ পাৰত ভিৰ কৰে অসংখ্য লোকে।



মুলতানত অনুষ্ঠিত হৈ থকা ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে প্ৰথমখন টেষ্টত লেগ ছুইপ পাকিস্তানৰ মহম্মদ ৰিজৱানৰ

## ৯০০ ছিক্সাৰ কোবোৱা ক্ৰিছ গেইলৰ অভিলেখ স্পৰ্শ

# ছিক্সাৰেৰে টি-২০ত অভিলেখ কাইৰন পোলাৰ্ডৰ

**ডুবাই, ১৭ জানুৱাৰীঃ** টি-২০ ক্ৰিকেটত এক বিৰল নজিৰ গঢ়িবলৈ সক্ষম হ'ল কেৰিবিয়ান তাৰকা ক্ৰিকেটাৰ কাইৰন পোলাৰ্ডে। ২০ অভাৰৰ খেলত ৯০০ ছিক্স মৰা ক্ৰিছ গেইলৰ পিছত বিশ্বৰ দ্বিতীয়জন ক্ৰিকেটাৰ হিচাপে পৰিগণিত হৈছে পোলাৰ্ড। ৩৭ বৰ্ষীয় পোলাৰ্ডে ইণ্টাৰনেশ্যনেল লীগ টি-২০ (আইএলটি ২০)ত এম আই এমিৰেটছ দলৰ হৈ এই কৃতিত্ব অৰ্জন কৰে। বৃহস্পতিবাৰে ডেজাৰ্ট ভাইপাৰছৰ বিৰুদ্ধে খেলখনত পোলাৰ্ডে ২৩টা বলত তিনিটা ছয়েৰে ৩৬ ৰানৰ ইনিংছ খেলে। ১৯ অভাৰৰ প্ৰথমটো বলত লকি ফাৰ্গুচনক ছয় মাৰি পোলাৰ্ডে ৯০০ ছিক্সৰ মাইলৰ খুঁটিত উপনীত হয়। অৱশ্যে ছিক্সাৰেৰে খেলপথাৰৰ এই ব্যক্তিগত কৃতিত্বৰ পিছতো খেলখনত ৫ উইকেটত পৰাস্ত হয় এম আই এমিৰেটছ। উল্লেখ্য যে, বিশ্বৰ শীৰ্ষ টি-২০ ছিক্স হিটিং ক্ৰিকেটাৰৰ তালিকাত আধিপত্য বিস্তাৰ কৰিছে কেৰিবিয়ানে। এই তালিকাত ১০৫৬টা ছয়েৰে শীৰ্ষত আছে ক্ৰীছ গেইল। দ্বিতীয় স্থানত আছে ৯০১টা ছয়েৰে পোলাৰ্ড। তৃতীয় স্থানত আছে ৭২৭টা ছয়েৰে আন্দ্ৰে ৰাছেল আৰু নিকোলাছ পুৰানে ৫৯২টা ছয়েৰে এই তালিকাৰ চতুৰ্থ স্থান দখল কৰিছে। উল্লেখ্য যে, কেৰিবিয়ান ক্ৰিকেটাৰ পোলাৰ্ড বৰ্তমান মুম্বাই ইণ্ডিয়ানছৰ বেটিং প্ৰশিক্ষক।

# নগাঁৱৰ ৰিলিফ ৰাইন'ছ চূড়ান্ত বিজয়ী

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১৭ জানুৱাৰীঃ** মৰিগাঁও জিলাৰ ৰঙাদৰীয়াৰ সমীপৰ বালিজানৰ ছানৰাইজ ক্লাবৰ উদ্যোগত বালিজান খেলপথাৰত সামৰণি পৰা "ক্ৰিকেট মহাৰণ-২০২৪/২৫" ত নগাঁৱৰ ৰিলিফ ৰাইন'ছে চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰিছে। সদৌ অসম ভিত্তিত আয়োজিত এই প্ৰতিযোগিতাৰ বৃহস্পতিবাৰে ৰোমাঞ্চকৰ ফাইনেলত এইছ আৰ মিন্টুৰ অধিনায়কত্বৰ দল ৰিলিফ ৰাইন'ছে ক্ৰিকেটাৰ ইজাজ হুছেইনৰ অধিনায়কত্বৰ পি চি চি দলক ৫ ৰাণত পৰাজিত কৰে। খেলখনত ৰিলিফ ৰাইন'ছে টছত জিকি পোনতে বেট ধৰি দিলদাৰ হুছেইনৰ-৪৯ আৰু দেৱজিৎ ফুকনৰ-৩৫ ৰাণৰ উল্লেখনীয় অৱদানৰে ১২ অভাৰত নটা উইকেটৰ বিনিময়ত ১৪৬ ৰাণ সংগ্ৰহ কৰে। বলিঙত পি চি চিৰহৈ মান্না আটাহাৰে তিনিটা, মোহিত বৰাই দুটা আৰু ৰাচিম উল্লাহ খানে এটা উইকেট পায়। প্ৰত্যুত্তৰত পি চি চি দলে নাহৰ দাসৰ অপৰাজিত-৩২, ইজাজ হুছেইনৰ-২৮, ৰাচিম উল্লাহ খানৰ-২৩ আৰু মৃন্ময় বৰাৰ-২২ ৰাণৰ উল্লেখনীয় বৰঙণি স্বত্বেও ১২ অভাৰত চাৰিটা উইকেট হেৰুৱাই ১৪১ ৰাণহে কৰিবলৈ সক্ষম হয়। বলিঙত ৰিলিফ ৰাইন'ছৰহৈ ৰাহুল ইছলামে দুটা, ৰাজা লামা আৰু বিকি হকে এটাকৈ উইকেট দখল কৰে। ধাৰাভাষ্যকাৰ শ্বেইখ লোকমান হেকিম আৰু মুকছিদুল হকে সাৱলীলভাৱে ধাৰাবিৱৰণী আগবঢ়োৱা খেলখনৰ অন্তত বিশিষ্ট সমাজকৰ্মী আবুল কাচেমৰ সভাপতিত্বত অনুষ্ঠিত সামৰণি অনুষ্ঠানত বালিজান প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মোজামিল হুছেইন, অসম যোগ সংস্থাৰ যুটীয়া সম্পাদক তথা ক্ৰীড়া সংগঠক সমীৰ হাজৰিকা, সমাজকৰ্মী নুৰুদ্দিন আহমেদ, ৰফিকুল ইছলাম, নেকিবুৰ ৰহমান ছিদ্দীকি, আব্দুল বাছিৰ, কালিম উদ্দিন আহমেদ, দুৰ্গাধৰ বৰা আদি সন্মানীয় অতিথিৰূপে উপস্থিত থাকে। অনুষ্ঠানত সমাজকৰ্মী চৈয়দ আশীক উল্লাহ, আব্দুল হামিদ, মুজাহিদুল ইছলাম, চৰিফুল হক, ৰুহুল আমিন আদিয়ে বিভিন্ন বঁটাসমূহ প্ৰদান কৰে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়ৰদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি